সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৯ বছৰৰ এক অবিৰত যাত্ৰা...
Govt. of Assam Approved
Postal Redg. No. GH- 098/ 2015 - 17
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

৩০ বছৰ, ৪৯ সংখ্যা, ২২ আঘোণ, ৰবিবাৰ, ১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং - ৫৩৮৮৩ / ১৯৯৪
RNI No. 53883/94. GHY--781025. Vol. 30: Issue No. 49 Date Of Publication - 8 December 2024 Rs.10.00/-

## মন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰিলে চাৰিগৰাকী নতুন মন্ত্ৰীয়ে

ৰঙিলী বাৰ্ত্তাসেৱা- অৱশেষত সম্প্ৰসাৰণ ঘটিল মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মন্ত্ৰীসভাৰ । চাৰিগৰাকীকৈ বিধায়ক অসম মন্ত্ৰীসভাত অন্তৰ্ভুক্ত হ'ল। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত প্ৰশান্ত ফুকন, ৰূপেশ গোৱালা, কৌশিক ৰায় আৰু কৃষ্ণেন্দু পালে মন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই চাৰিগৰাকী বিধায়কক মন্ত্ৰী হিচাপে কৰ্তব্য-নিষ্ঠা আৰু গোপনীয়তাৰ শপত বাক্য পাঠ কৰায়। চাৰিগৰাকী বিধায়ক অন্তৰ্ভুক্ত হোৱাৰ লগে লগে ড° হিমন্ত বিশ্ব শৰ্মা মন্ত্ৰীসভাৰ মন্ত্ৰীৰ সংখ্যা মুখ্যমন্ত্ৰীকে ধৰি ১৮ গৰাকীলৈ বৃদ্ধি পালে । উল্লেখ্য যে বৃহস্পতিবাৰে মুখ্যমন্ত্ৰীয়ে চাৰিগৰাকী নতুন মন্ত্ৰীৰ নাম ঘোষণা কৰাৰ পূৰ্বে মন্ত্ৰী সঞ্জয় কিষাণে মন্ত্ৰীপদ ত্যাগ কৰিছিল। যাৰ ফলত মন্ত্ৰীসভাৰ সংখ্যা ১৫ গৰাকীৰ পৰা ১৪ গৰাকীলৈ হ্ৰাস পাইছিল। শনিবাৰে চাৰিগৰাকীয়ে শপতগ্ৰহণ কৰাত মন্ত্ৰীৰ সংখ্যা ১৮ গৰাকীলৈ বৃদ্ধি পায় । ইয়াৰ লগে লগে অসম মন্ত্ৰীসভাই পূৰ্ণতা লাভ কৰিলে । মন্ত্ৰী




হিচাপে প্ৰশান্ত ফুকন আৰু ৰূপেশ গোৱালাই অসমীয়াত শপতগ্ৰহণ কৰাৰ বিপৰীতে কৌশিক ৰায়ে হিন্দীত আৰু কৃষ্ণেন্দু পালে বাংলা ভাষাত শপতবাক্য পাঠ কৰে। ইফালে শপতগ্ৰহণৰ পাছতে গুৰুত্বপূৰ্ণ দায়িত্ব প্ৰদানৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক পুনৰ কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলে নৱনিযুক্ত চাৰি মন্ত্ৰীয়ে। উল্লেখ্য যে চাৰি মন্ত্ৰীৰ অন্তৰ্ভুক্তিৰ পাছতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ মন্ত্ৰীসভাৰ মন্ত্ৰীসকলৰ দপ্তৰ সাল-সলনি হোৱাটো স্পষ্ট হৈ পৰিছে। আনকি মুখ্যমন্ত্ৰীয়েও দপ্তৰৰ ব্যাপক সাল-সলনিৰ ইংগিত প্ৰদান কৰে। এই সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে সংবাদ মাধ্যমৰ আগত কয় যে নতুন অন্তৰ্ভুক্ত হ'লে পুৰণিসকলৰ দপ্তৰ

(দহ পৃষ্ঠাত চাওক)

## বৰাক উপত্যকা উন্নয়ন বিভাগ গঠনত অনুমোদন অসম কেবিনেটৰ




ৰঙিলী বাৰ্ত্তাসেৱা- অসম কেবিনেটৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত। চাৰিগৰাকী নতুন মন্ত্ৰীৰ অন্তৰ্ভুক্তিৰে অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণৰ পাছতে শনিবাৰে সন্ধিয়াৰ ভাগত কইনাধৰাস্থিত ৰনং ৰাজ্যিক অতিথিশালাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত অসম চৰকাৰৰ কেবিনেট বৈঠকে এলানি গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত এই বৈঠকত বৰাক উপত্যকাক লৈ সুকীয়া উন্নয়ন বিভাগ গঠনত কেবিনেটে অনুমোদন জনায়। মুখ্যমন্ত্ৰী ড°

(দহ পৃষ্ঠাত চাওক)

## আই চি চিৰ ব'ৰ্ড সঞ্চালক হিচাপে নিযুক্তি লাভ দেৱজিৎ শইকীয়া

ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ ক্ৰীড়াক্ষেত্ৰৰ বাবে আন এক সুখবৰ। অসমৰ বিশিষ্ট ক্ৰীড়া সংগঠক তথা প্ৰাক্তন ৰঞ্জি খেলুৱৈ দেৱজিৎ শইকীয়াই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদৰ (আই চি চি) ব'ৰ্ড সঞ্চালক (ভাৰতৰ প্ৰতিনিধি) হিচাপে নিযুক্তি লাভ কৰিছে। তেওঁৰ আগতে এই পদত আছিল বি চি চি আইৰ সচিব জয় শ্বাহ। জয় শ্বাহে আই চি চিৰ অধ্যক্ষ পদ গ্ৰহণ কৰাত এই পদটো খালী হয়। সেয়ে দেৱজিৎ শইকীয়াক এই দায়িত্ব দিয়া হৈছে। তেওঁ ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডক (বি চি চি আই) আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদৰ ব'ৰ্ড অব্ ডাইৰেক্টৰ্ছত প্ৰতিনিধিত্ব কৰিব। এ চি এৰ প্ৰাক্তন সম্পাদক তথা গুৱাহাটী ক্ৰীড়া সন্থা আৰু ঐতিহ্যমণ্ডিত



(দহ পৃষ্ঠাত চাওক)

### সম্পাদকীয়

## সোণগুটি বুটলাৰ সময় আঘোণ



**স্বাগতা বৰুৱা গোস্বামী**

এতিয়া আঘোনৰ বতৰ । হেমন্ত ঋতুৰ আগমনৰ লগে লগে কুৱলীৰ ওৰণি টানি সৰু সৰু আলিৰে আহিছে আঘোণ। এতিয়া এইখন আঘোণৰ পথাৰ। পকা ধানে হালি জালি দাৰ্নিক মাতি থকাৰ সময়। এই আঘোনৰ বতৰতে নিয়ৰসিক্ত শেৱালি ফুলেৰে ওপচা সেউজীয়া দূবৰিৰ দলিচাৰ ফাকে ফাকে সোনালী ধাননি পথাৰখনে সোণত সুৱগা চৰাইছে। অসমৰ গাৱে গাৱে কৃষিকৰ্মত ব্যস্ত থকা সকলৰ এতিয়া লখিমী আদৰাৰ সময়। সকলো ব্যস্ত হৈ পৰিছে পথাৰত, কাৰণ কৃষকৰ সপোন বাস্তৱত পৰিণত হোৱাৰ সময়। তাৰপিছতে সময় ন-খোৱাৰ। গএগ জ্ঞাতিয়ে একেলগে ন-খোৱাৰ আনন্দয়ে সুকীয়া। যোৰহাটৰ বৰভেটিত এই সময়খিনিত ন লগোৱা উৎসৱ পতা হয়। তাতে আকৌ পৰিভ্ৰমী চৰাই খিনিৰো আগমন ঘটে এইখিনি সময়তে।

ডিমা হাচাও জিলাৰ উদ্যোগী নগৰী উমৰাংছু প্ৰকৃতিৰ অন্যতম ৰম্যভূমি হিচাপে পৰিচিত। ইয়ালৈ প্ৰতি বছৰে শীতকালত এমোৰ ফেলকন নামৰ চৰাইবিধৰ আগমন ঘটে। এই চৰাইবিধৰ প্ৰজাতি ৪০টা। ইহঁতৰ জীৱনকাল ছয় বছৰ দুমাহ। দেহৰ আকাৰ ২০ ৰপৰাত৩১ ছেঃমি। ওজন ১৬০-২০০ গ্ৰাম আৰু

(দহ পৃষ্ঠাত চাওক)

# ৰাজ্যসভাত সাংসদৰ আসনত উদ্ধাৰ টকাৰ বাণ্ডিল



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যসভাত নিয়মীয়া তালাচীৰ সময়ত কংগ্ৰেছ সাংসদৰ আসনত টকাৰ বাণ্ডিল উদ্ধাৰ হোৱাৰ পাছতে তীব্ৰ বিতৰ্কৰ সৃষ্টি হৈছে। ৰাজ্যসভাৰ মজিয়াত এই ঘটনাক লৈ শাসক-বিৰোধীৰ মাজত তীব্ৰ বাকযুদ্ধৰ ফলত হুলস্থুলীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে। চলিত সংসদৰ শীতকালীন অধিৱেশনত উপ-ৰাষ্ট্ৰপতি তথা ৰাজ্যসভাৰ সভাপতি জগদীপ ধনখড়ে নিয়মীয়া তালাচীৰ সময়ত কংগ্ৰেছ সাংসদ অভিষেক মনু সিংভিৰ আসন নং ২২২ৰ পৰা টকাৰ বাণ্ডিল উদ্ধাৰ হোৱা বুলি ঘোষণা কৰাৰ লগে লগেই ৰাজ্যসভা উত্তাল হৈ পৰে। সভাপতি জগদীপ ধনখড়ে প্ৰকাশ কৰা মতে, বৃহস্পতিবাৰে উচ্চ সদনৰ নিৰাপত্তাৰক্ষীয়ে চলোৱা নিয়মীয়া তালাচীৰ সময়ত কংগ্ৰেছ সাংসদগৰাকীৰ আসনত টকাৰ বাণ্ডিল উদ্ধাৰ হয়। তেলেংগানাৰ ৰাজ্যসভাৰ সাংসদ অভিষেক মনু সিংভিৰ বাবে আবণ্টিত ২২২নং আসনত টকাৰ বাণ্ডিল উদ্ধাৰ হৈছে। এই বিষয়টো তেওঁৰ দৃষ্টিগোচৰ হৈছে আৰু তদন্তৰ নিৰ্দেশ দিয়া হৈছে। তদুপৰি সভাপতিগৰাকীয়ে কয় যে সদনৰ ভিতৰত টকাৰ বাণ্ডিল অনাটো সঠিক নহয়। গতিকে ইয়াৰ অনুসন্ধানৰ নিৰ্দেশ দিয়া হৈছে। উপ-সভাপতিগৰাকীয়ে বিৰোধী সাংসদৰ বিৰুদ্ধে এই অভিযোগ উত্থাপন কৰাৰ পিছতেই উচ্চ সদনত বিৰোধী দলপতি মল্লিকাৰ্জুন খাৰ্গেই প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয় যে তদন্ত শেষ নোহোৱা পৰ্যন্ত আৰু এই অভিযোগ সঁচা বুলি প্ৰমাণ নোহোৱালৈ সভাপতিগৰাকীয়ে অভিষেক মনু সিংভিৰ নাম লোৱাটো উচিত নাছিল। এনেকুৱা ধৰণৰ কাম কৰিয়ে দেশখনক বদনাম কৰিছে বুলি অভিযোগ কৰে খাৰ্গেয়ে। আনপিনে কংগ্ৰেছ সাংসদ অভিষেক মনু সিংভিয়ে তেওঁৰ বিৰুদ্ধে উত্থাপিত অভিযোগ খণ্ডন কৰি কয় মই এতিয়ালৈকে কেতিয়াও শুনা নাছিলোঁ। প্ৰথমবাৰৰ বাবে এনে ঘটনা শুনিছোঁ। মই সদন দিনৰ ১২.৫৭ বজাত পাইছিলোঁ আৰু এক বজালৈ সদনত আছিলোঁ। পিছত মই ডেৰ বজালৈকে কেন্টিনত বহি সদন এৰিছিলোঁ। মাত্ৰ তিনি মিনিটৰ বাবে মই সদনত আছিলোঁ। কেন্টিনত আছিলোঁ ৩০ মিনিট। মোৰ বিৰুদ্ধে এনে অভিযোগ অনাক লৈ আচৰিত হৈছোঁ। আনপিনে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি তথা কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাই বিষয়টো অতি গুৰুতৰ বুলি উল্লেখ কৰি সদনৰ মৰ্যাদা হ্ৰাস কৰা বুলি সমালোচনা কৰিছে।

# মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী হিচাপে শপত ল'লে দেৱেন্দ্ৰ ফাড়নাভিছে



ৰঙিলী বাৰ্ত্তাসেৱা- মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী হিচাপে শপত ল'লে বিজেপিৰ নেতা, দুবাৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নাভিছে। মহাৰাষ্ট্ৰত বিধানসভা নিৰ্বাচনত মহাবিজয়েৰে অভিলেখ গঢ়া মহাযুটিৰ বিজেপিৰ নেতা দেৱেন্দ্ৰ ফাড়নাভিছক মায়ানগৰী মুম্বাইৰ আজাদ ময়দানত আয়োজিত বিশাল অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ শপতবাক্য পাঠ কৰোৱায় ৰাজ্যপাল চি পি ৰাধাকৃষ্ণনে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহকে ধৰি কেইবাজনো কেন্দ্ৰীয় মন্ত্ৰী, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাসহ এনডিএৰ শক্তি প্ৰদৰ্শনৰ অনুষ্ঠানত তৃতীয়বাৰৰ বাবে মুখ্যমন্ত্ৰীৰ শপত লয় দেৱেন্দ্ৰ ফাড়নাভিছে। ২৩ নৱেম্বৰত নিৰ্বাচনী ফলাফল ঘোষণাৰ বহু জটিলতাৰ অন্তত একাদশ দিনত মুখ্যমন্ত্ৰী হিচাপে দেৱেন্দ্ৰ ফাড়নাভিছক চূড়ান্ত কৰা হয়। এনডিএৰ শক্তি প্ৰদৰ্শনৰ বিশাল শপতগ্ৰহণ অনুষ্ঠানত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাসহ ১৯ ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু উপ-মুখ্যমন্ত্ৰীয়ে এই অনুষ্ঠানত অংশগ্ৰহণ কৰে। উদ্যোগপতি মুকেশ আম্বানিৰ পৰিয়াল, আদিত্য বিৰলাকে ধৰি কেইবাজনো পুঁজিপতিৰ লগতে ক্ৰীড়া জগতৰ (দহ পৃষ্ঠাত চাওক)

# ৰয়েল গ্ল'বেল বিশ্ববিদ্যালয়ত কৃতিত্ব



ৰঙিলী বাৰ্ত্তাসেৱা- ৰয়েল গ্ল'বেল বিশ্ববিদ্যালয়ৰ এইবাৰৰ চতুৰ্থ দীক্ষান্ত সমাৰোহত মিৰ্জাৰ ৰিয়া দাসে উদ্ভিদ বিজ্ঞান বিভাগৰ স্নাতকোত্তৰ চূড়ান্ত পৰীক্ষাত ডিষ্টিংচন সহ প্ৰথম স্থান লাভ কৰি বিশ্ববিদ্যালয়খনৰ লগতে মিৰ্জা অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনে। ৰিয়া দাসৰ এই কৃতিত্বৰ বাবে বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰপৰা স্বৰ্ণপদক প্ৰদান কৰা হয়। মিৰ্জা নিবাসী কুশল কুমাৰ আৰু হীৰা দাসৰ কন্যা ৰিয়া দাসৰ এই সাফল্যত অঞ্চলটোৰ শৈক্ষিক মহলত এক আনন্দৰ জোৱাৰ উঠে। উল্লেখ যে, ৰিয়া দাসে দক্ষিণ কামৰূপ মহাবিদ্যালয়ত স্নাতক চূড়ান্ত পৰীক্ষাতো উদ্ভিদ বিজ্ঞান বিভাগত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হৈছিল। ৰিয়া দাসে বৰ্তমান প্ৰতিযোগীতামূলক পৰীক্ষাৰ বাবে সাজু হ'ব বুলি জানিবলৈ দিয়ে।

# দদৰাৰ যুৱ নাট্যকাৰ ভাস্কৰ জ্যোতি দাসৰ নাট "শক্তি ৰূপা" যোৰহাট কৃষি বিশ্ব বিদ্যালয়ত মঞ্চস্থ



ৰঙিলী বাৰ্ত্তাসেৱা- যোৰহাট কৃষি বিশ্ব বিদ্যালয়ৰ "বিশ্ব বিদ্যালয় সপ্তাহ"'ত যুৱ নাট্যকাৰ ভাস্কৰ জ্যোতি দাসৰ নাৰীবাদী নাটক "শক্তি-ৰূপা" মঞ্চস্থ হয়। নাটখনিত নাট্যকাৰে সাম্প্ৰতিক সমাজৰ জলন্ত সমস্যা নাৰীজনিত অপৰাধক কেন্দ্ৰত ৰাখি সমাজ পৰিবৰ্তনৰ দিশটি উন্মোচন কৰিছে। "নাৰী হ'ল মাতৃ, আদি শক্তি। এই আদি শক্তিক যিমান দিনলৈ অন্তৰ্মুখী হিচাপে ৰখা হ'ব, সিমান দিনলৈ সমাজৰ পৰা নাৰীজনিত অপৰাধ মষিমূৰ নহ'ব।" এই ধাৰণাকি মূল হিচাপে লৈ ৰচিত বাস্তৱধৰ্মী সামাজিক নাটকখনি পৰিচালনা কৰে দেৱব্ৰত শইকীয়াই আৰু আবহ সংগীত প্ৰদান কৰে গৌৰাংগই। য'ত অভিনয় কৰে বিশ্ববিদ্যালয় খনিৰ ১২ নং ছোৱালী আৱাসৰ ছাত্ৰী বনিছা কোঁচ, ইৰিণা ডেকা, দেৱাৰ্চনা বৰুৱা, মুছফিকা হাচান, ভুনা কেমপ্ৰাই, কৃষ্ণা দাস, প্ৰিয়ংকা হাজৰিকা আৰু ফিৰদৌছী চায়েদ লগতে নাটকখনিৰ একমাত্ৰ পুৰুষ চৰিত্ৰটি ৰূপায়ণ কৰে জিজ্ঞাস দাসে।

# এপিএছচিৰ চূড়ান্ত পৰীক্ষাৰ ফলাফল ঘোষণা

ৰঙিলী বাৰ্ত্তাসেৱা- অসম লোকসেৱা আয়োগ (এপিএছচি) ৰ ২০২৩ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হৈছে। ঘোষিত ফলাফল অনুসৰি ২৩৫গৰাকী প্ৰাৰ্থীক এচিএছ, এপিএছ আৰু সংলগ্ন সেৱাত নিযুক্তিৰ বাবে এপিএছচিয়ে অনুমোদন দিছে। চলিত বৰ্ষৰ মাৰ্চ মাহৰ পৰা এই পৰীক্ষাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল। অভিলেখ ৮ মাহৰ ভিতৰত সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হয়। এইবাৰৰ পৰীক্ষাত মুঠ ৬৭, ২৫১গৰাকী পৰীক্ষাৰ্থীয়ে আবেদন দাখিল কৰিছিল। পৰীক্ষাৰ ফলাফল অনুসৰি শীৰ্ষ ১০ গৰাকী প্ৰাৰ্থীৰ ভিতৰত ৭ গৰাকীয়েই হৈছে মহিলা। আনহাতে ৮৭২ নম্বৰ লাভ কৰি পৰীক্ষাত শীৰ্ষস্থান দখল কৰিছে শিলচৰৰ এনআইটিৰ প্ৰথম শ্ৰেণীৰ বি টেক চিৰঞ্জীৱ ফুকনে। লণ্ডন স্কুল অৱ ইকন'মিকছ আৰু ৰাজনীতি বিভাগৰ স্নাতকোত্তৰ ছাত্ৰী অনিশা বুঢ়াগোহাঁয়ে ৮২৩ নম্বৰ লাভ কৰি দ্বিতীয় স্থান দখল কৰিছে। মহিলা প্ৰাৰ্থীসকলৰ ভিতৰত তেওঁ শীৰ্ষস্থান দখল কৰিবলৈ সক্ষম হৈছে। তৃতীয় স্থানত আছে জে আৰ এফ গৱেষক তথা দিল্লীৰ জে এন ইউৰ পৰা স্নাতকোত্তৰ ডিগ্ৰীধাৰী হিমাদ্ৰী জিতা বৰা। চতুৰ্থ স্থান লাভ কৰিছে দিল্লী বিশ্ববিদ্যালয়ৰ পৰা স্নাতক-স্নাতকোত্তৰ ডিগ্ৰী ধাৰী মীনাক্ষী বৰুৱাই। তদুপৰি বজালীৰ মুগুৰীয়াৰ টুটুমণি কাকতিয়ে পঞ্চম স্থান, গোৱালপাৰাৰ (দহ পৃষ্ঠাত চাওক)

# আকালি দলৰ মুৰব্বীক গুলীয়াই হত্যাৰ চেষ্টা



ৰঙিলী বাৰ্তাসেৱা- অমৃতসৰৰ স্বৰ্ণ মন্দিৰত সংঘটিত হৈছে এক ভয়াৱহ কাণ্ড। অমৃতসৰৰ স্বৰ্ণ মন্দিৰৰ গেটৰ সন্মুখত প্ৰাণঘাতী আক্ৰমণৰ পৰা ৰক্ষা পৰিল শিৰোমণি আকালি দলৰ সভাপতি সুখবীৰ সিং বাদল। ডেৰাচাচা চৌডাৰ মুৰব্বী, ধৰ্ষণত দোষী সাব্যস্ত কাৰাবন্দী গুৰমীট ৰামৰহিম সিঙক সমৰ্থনৰ বাবেই ধৰ্ম নিন্দাত আকাল টখতৰ ধৰ্মীয় শাস্তি মানি লৈ স্বৰ্ণ মন্দিৰত বাচন-বৰ্তন আৰু শৌচাগাৰ পৰিষ্কাৰ কৰি গেটৰ বাহিৰত বহি থকা সুখবীৰ সিং বাদলক বন্দুকধাৰীয়ে নিচেই ওচৰৰ পৰা গুলীয়ায়। লুকাই অনা অস্ত্ৰৰে হুইল চেয়াৰত বহি থকা সুখবীৰ সিং বাদলক গুলীয়াবলৈ উদ্যত হওঁতেই বাদলৰ ওচৰত থকা এজন লোকে বন্দুকধাৰীক ভেটি ধৰে। লগে লগে ঘটনাস্থলীত থকা কেইবাজনো লোকে বন্দুকধাৰীক লপাথপা দি আটক কৰে। বন্দুকধাৰীয়ে চলোৱা বন্দুকৰ গুলী বাদলৰ গাত নালাগি বেৰত লাগে। ঘটনাস্থলীত উপস্থিত থকা লোকে আটক কৰা বন্দুকধাৰীটোক নাৰায়ণ সিং চৌধাৰী বুলি চিনাক্ত কৰা হৈছে। গুৰদাছপুৰৰ ডেৰাবাবা নানকৰ বাসিন্দা নাৰায়ণ সিং দল খালছাৰ সদস্য আৰু ২০১৩ চনত বেআইনী কাৰ্যকলাপ প্ৰতিৰোধী আইন (ইউএপিএ)ৰ অধীনত গ্ৰেপ্তাৰ কৰা হৈছিল। খালিস্তানীৰ সম্পৰ্কিত নাৰায়ণ সিং খালিস্তান লিবাৰেচন ফ'ৰ্ট আৰু আকাল ফেডাৰেচনৰ সৈতে জড়িত হৈ আছে। ২০১৩ চনৰ ২৮ ফেব্ৰুৱাৰীত টাৰ্ন টৰণৰ (দহ পৃষ্ঠাত চাওক)

# অসমৰ দুখনকৈ গাঁও পঞ্চায়ত ৰাষ্ট্ৰীয় পুৰস্কাৰৰ বাবে নিৰ্বাচিত




ৰঙিলী বাৰ্তাসেৱা- 'ৰাষ্ট্ৰীয় পঞ্চায়ত পুৰস্কাৰ ২০২৪'ৰ দীনদয়াল উপাধ্যায় পঞ্চায়ত সতত বিকাশ পুৰস্কাৰ শাখাৰ শিশুৰ বাবে অনুকূল পঞ্চায়ত শীৰ্ষক বিষয়ৰ পুৰস্কাৰত মাজুলী জিলাৰ উজনি মাজুলীৰ উন্নয়ন খণ্ডৰ জেংৰাই গাঁও পঞ্চায়তে প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হৈছে। আনহাতে, নানাজী দেশমুখ সৰ্বোত্তম পঞ্চায়ত সতত বিকাশ পুৰস্কাৰ শাখাৰ শ্ৰেষ্ঠ গাঁও পঞ্চায়ত শ্ৰেণীত নগাঁও জিলাৰ খাগৰিজান উন্নয়ন খণ্ডৰ বেবেজীয়া ডিমৌ বাংথাই গাঁও পঞ্চায়তে দ্বিতীয় স্থান লাভ সক্ষম হৈছে। এই গৌৰৱৰ মুহূৰ্তত বিভাগীয় মন্ত্ৰী হিচাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ ধন্যবাদ জ্ঞাপন কৰাৰ লগতে আৰু দুয়োখন পঞ্চায়তৰ সভাপতি প্ৰমুখ্যে নিৰ্বাচিত সদস্যসকলৰ লগতে গঞা ৰাইজলৈ আন্তৰিক শুভেচ্ছা জনায় মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে।

# আন্তঃৰাষ্ট্ৰীয় বিজ্ঞান মহোৎসৱৰ সফল সামৰণি

ৰঙিলী বাৰ্তাসেৱা- গুৱাহাটীৰ ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানত অনুষ্ঠিত চাৰিদিনীয়া ভাৰত আন্তঃৰাষ্ট্ৰীয় বিজ্ঞান মহোৎসৱৰ দশম সংস্কৰণৰ সামৰণি পৰে। মহোৎসৱৰ সামৰণী অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকে ৰাজ্য চৰকাৰৰ বিজ্ঞান, প্ৰযুক্তিবিদ্যা আৰু জলবায়ু পৰিৱৰ্তন আদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত। ভাষণত মন্ত্ৰীগৰাকীয়ে কয় যে ভাৰত আন্তঃৰাষ্ট্ৰীয় বিজ্ঞান মহোৎসৱে দেশৰ ভৱিষ্যৎ নিৰ্মাণত বিজ্ঞান আৰু প্ৰযুক্তিৰ প্ৰধান ভূমিকাক গুৰুত্ব আৰোপ কৰি ভাৰতীয় বিজ্ঞানীসকলৰ উল্লেখনীয় সাফল্য উপস্থাপন কৰিবলৈ সক্ষম হৈছে। বিজ্ঞানক জনপ্ৰিয়কৰণৰ বাবে গ্ৰহণ কৰা এই বৃহৎ অনুষ্ঠান



অসমত আয়োজন কৰাৰ বাবে তেওঁ ভাৰত চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰালয়ক আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰি মহোৎসৱৰ লগত জড়িত সকলো অনুষ্ঠান-প্ৰতিষ্ঠানকে এই বৃহৎ সফলতাৰ বাবে অভিনন্দন জ্ঞাপন কৰে। তেওঁ কয় যে ভাৰতীয় মহাকাশ গৱেষণা প্ৰতিষ্ঠানৰ অধ্যক্ষ ড° এছ সোমনাথকে ধৰি দেশৰ আগশাৰীৰ বিজ্ঞানীসকলৰ লগত মত বিনিময় কৰি অসমৰ ছাত্ৰ-ছাত্ৰীসকল বিশেষভাৱে উপকৃত হৈছে আৰু এই মহোৎসৱে ছাত্ৰ-ছাত্ৰীৰ মাজত বিজ্ঞান মানসিকতাৰ উত্তৰণত যথেষ্ট অৰিহণা যোগাইছে। ভাষণ প্ৰসংগত মন্ত্ৰীগৰাকীয়ে ৰাজ্যখনত বিজ্ঞান মানসিকতা গঢ়ি তোলাৰ কাৰণে অসম চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাৱলীৰ বিষয়েও চমু অৱলোকন কৰে। ৰাজ্যখনৰ প্ৰতিটো উন্নয়ন খণ্ডক সামৰি ২১৯টা বিজ্ঞান কেন্দ্ৰ স্থাপনৰ অন্তত এতিয়া প্ৰতিখন জিলাতো বিজ্ঞান কেন্দ্ৰ স্থাপনৰ ব্যৱস্থা কৰা হৈছে বুলি উল্লেখ কৰি তেওঁ কয় যে এনে জিলাভিত্তিক পাঁচটা বিজ্ঞান কেন্দ্ৰ ইতিমধ্যে কাৰ্যক্ষম হৈ উঠিছে আৰু আন ১৭টা কেন্দ্ৰ নিৰ্মাণৰত অৱস্থাত আছে। ৰাজ্য চৰকাৰে শেহতীয়াভাৱে জলবায়ু পৰিৱৰ্তনৰ বিষয়টোক বিশেষভাৱে গুৰুত্ব আৰোপ কৰিছে বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। এই অঞ্চলটোত ভাৰত আন্তঃৰাষ্ট্ৰীয় বিজ্ঞান মহোৎসৱ ২০২৪-এ সুদূৰপ্ৰসাৰী প্ৰভাৱ বিস্তাৰ কৰিব আৰু অসম চৰকাৰ এই বৃহৎ আয়োজনৰ অংশীদাৰ হ'বলৈ পাই গৌৰৱান্বিত বুলিও তেওঁ উল্লেখ কৰে। সামৰণী অনুষ্ঠানত আদৰণী ভাষণত চিএছআইআৰ- নেচনেল ইনষ্টিটিউট ফৰ ইন্টাৰডিচিপ্লিনেৰী ছায়েঞ্চ এণ্ড টেকন'লজী (CSIR-NIIST)ৰ সঞ্চালক তথা ভাৰত আন্তঃৰাষ্ট্ৰীয় বিজ্ঞান মহোৎসৱৰ মুখ্য সমন্বয়ক ড° চি আনন্দৰামকৃষ্ণণে কয় যে এই চাৰিদিনীয়া বৰ্ণাঢ্য মহোৎসৱত দেশৰ বিভিন্ন প্ৰান্তৰ ৭, ০০০ (দহ পৃষ্ঠাত চাওক)

# বিশিষ্ট অভিনেত্ৰী সীমা বিশ্বাসলৈ সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ আইদেউ সন্দিকৈ সোঁৱৰণী শিল্পী বঁটা

ৰঙিলী বাৰ্তাসেৱা- বোকাখাত নাট্য মন্দিৰত সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ দ্বাৰা ৪ ডিচেম্বৰত এখনি সংবাদমেলঅনুষ্ঠিত হয়। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী সুৰ্বণ শইকীয়া বৰদলৈয়ে সংবাদমেল সম্বোধন কৰি কয় যে অসমৰ সৰ্ববৃহৎ মহিলাৰ জাতীয় অনুষ্ঠান সদৌ অসম লেখিকা সমাৰোহ সমিতিয়ে ২০২৪ বৰ্ষৰ বাবে 'শিল্পী আইদেউ সন্দিকৈ বঁটা-২০২৪' আগবঢ়াব আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন অভিনেত্ৰী, অসম গৌৰৱ তথা নলবাৰীৰ জীয়ৰী, ৰাষ্ট্ৰীয় শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা প্ৰাপক 'বেণ্ডিত কুইন' খ্যাত সীমা বিশ্বাসক। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ উদ্যোগত, বোকাখাত শাখা সন্ধানী লেখিকা সমাৰোহ সমিতিৰ আতিথ্যত আৰু বোকাখাত নাট্যমন্দিৰৰ সহযোগত মৃত্যুঞ্জয়ী শিল্পী আইদেউ সন্দিকৈৰ একবিংশতিতম স্মৃতি দিৱস উপলক্ষ্যে শিল্পীগৰাকীৰ সোঁৱৰণত কেন্দ্ৰীয় কাৰ্যসূচী 'শিল্পী আইদেউ সন্দিকৈ বঁটা-২০২৪' প্ৰদান অনুষ্ঠানটি অহা ১৭ ডিচেম্বৰ ২০২৪ তাৰিখে বোকাখাত নাট্য মন্দিৰত উদ্যাপন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে বুলি সংবাদমেলত সভানেত্ৰী সুৰ্বণ বৰদলৈয়ে প্ৰকাশ কৰে। বেণ্ডিত কুইন'খ্যাত অভিনেত্ৰী সীমা বিশ্বাসলৈ 'শিল্পী আইদেউ সন্দিকৈ বঁটা-২০২৪' বিগত ২০০৩ বৰ্ষৰ পৰা প্ৰথম অসমীয়া কথাছবি 'জয়মতী'ৰ নাম ভূমিকাত অভিনয় কৰা শিল্পী আইদেউ সন্দিকৈৰ সোঁৱৰণত মৃত্যু তিথি ১৭ ডিচেম্বৰ দিনা প্ৰতিবছৰে অসমৰ স্বনামধন্য একোগৰাকীকৈ মহিলা শিল্পীক এই বঁটা প্ৰদান কৰি অহা হৈছে। এই বঁটা সৰ্বপ্ৰথম বাৰৰ বাবে আগবঢ়োৱা হৈছিল বিশিষ্ট



অসমীয়া অভিনেত্ৰী অনুপমা ভট্টাচাৰ্যলৈ। উল্লেখ্য যে সদৌ অসম লেখিকা সমাৰোহ সমিতিয়ে প্ৰতিষ্ঠা কালৰে পৰা (১৯৭৪ চন, ২ নৱেম্বৰ) অসমীয়া ভাষা-সংস্কৃতিৰ উত্তৰণৰ দিশত অসমৰ মহিলাসকলৰ সৰ্ববৃহৎ জাতীয় অনুষ্ঠান হিচাবে আত্মপ্ৰকাশ কৰি বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। অনুষ্ঠিত সংবাদ মেলৰ জৰিয়তে এই কথা সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ তৰফৰ পৰা ঘোষণা (দহ পৃষ্ঠাত চাওক)

# অগপৰ বৰ্দ্ধিত কাযনিৰ্বাহক সভা সম্পন্ন

ৰঙিলী বাৰ্তাসেৱা- অসম গণ পৰিষদৰ বৰ্দ্ধিত কাযনিৰ্বাহক সভাখন অগপৰ আমবাৰীস্থ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত হয়। অগপৰ সভাপতি অতুল বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত অগপৰ নৱ নিৰ্বাচিত বিধায়িকা দিপ্তীময়ী চৌধুৰীক সম্বৰ্ধনা জনোৱা হয়। সভাত চলিত বৰ্ষৰ ১০ ডিচেম্বৰত শ্বহীদ দিৱস কেন্দ্ৰীয়ভাৱে জাতীয় শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰৰ জন্মস্থান ভৱানীপুৰত অনুষ্ঠিত কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে। উক্ত সভাই আগন্তুক পঞ্চায়ত নিৰ্বাচন, স্বায়ত্ব শাসিত পৰিষদসমূহৰ নিৰ্বাচন সম্পৰ্কত বিস্তৃতভাৱে আলোচনা কৰে আৰু উক্ত নিৰ্বাচনসমূহ পৰিচালনাৰ বাবে একোখনকৈ নিৰ্বাচনী পৰিচালনা সমিতি অচিৰেই গঠন কৰিবলৈ মাননীয় সভাপতিক কতৃত্ব অৰ্পন কৰে। উল্লেখ্য, উক্ত পৰিচালনা সমিতিসমূহে আগন্তুক নিৰ্বাচনৰ বাবে ক্ষীপ্ৰতাৰে প্ৰয়োজনীয় যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব। তদুপৰি সভাত সদস্যভৰ্তিৰ অভিযান তীব্ৰতৰ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়। দলৰ বিধান সভা সমষ্টি ভিত্তিত অনুষ্ঠিত হৈ থকা ৰাজনৈতিক কৰ্মশালাসমূহ ১০ দিনৰ ভিতৰত সমাপ্ত কৰিবলৈ সভাই সিদ্ধান্ত লয়। আনহাতে, ৰাজ্য চৰকাৰক ন্যায়াধীশ বিপ্লৱ শৰ্মাই দিয়া পৰামৰ্শৰ ভিত্তিত ৰাজ্য চৰকাৰৰ অধিনষ্ঠ বিষয়সমূহ কাৰ্যকৰী কৰাৰ বাবে তৎকালে ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰে। ইয়াৰোপৰি বিপ্লৱ শৰ্মাৰ পৰামৰ্শৱলীসমূহ কেন্দ্ৰীয় চৰকাৰে ৰূপায়ণ কৰাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ উক্ত সভাই আহ্বান জনায়। এই সভাত অগপৰ কাৰ্যকৰী সভাপতি কেশৱ মহন্তৰ লগতে লোকসভাৰ সাংসদ ফণীভূষণ চৌধুৰী আৰু ৰাজ্যসভাৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য উপস্থিত থাকে। তদুপৰি সাধাৰণ সম্পাদক ৰমেন্দ্ৰ নাৰায়ণ কলিতা, ড° কমলা কান্ত কলিতা, প্ৰবীণ হাজৰিকা, সত্যব্ৰত



কলিতা, বিমল সিনহা, আব্ৰাম হুচেইন, সুনীল ডেকা, ড° তপন দাস, সুনীল ৰাজকোঁৱৰ, তোলন কোঁৱৰ, মণিমাধৱ মহন্ত, ধৰ্মেশ্বৰ ৰয়ৰ তথা উপ সভাপতি ড° জয়নাথ শৰ্মা, অপূৰ্ব ভট্টাচাৰ্য, জ্যোতিশ দাস আৰু সিদ্ধেশ্বৰ হাজৰিকাৰ লগতে ভাতৃ-ভগ্নী সংগঠন আৰু জিলা সমিতিৰ সভাপতি-সম্পাদকসকল এই কাৰ্যনিৰ্বাহক সভাত উপস্থিত থাকে।

# মনোজ ধানোৱাৰৰ নেতৃত্বত ৰাজ্যিক 'আপ'ৰ সম্প্ৰসাৰণ

ৰঙিলী বাৰ্তাসেৱা- আম আদমী পাৰ্টিৰ ৰাজ্যিক সভাপতি মনোজ ধানোৱাৰৰ নেতৃত্বত নতুনকৈ গঠিত কাৰ্যনিৰ্বাহকৰ সম্প্ৰসাৰণ কৰা হৈছে। ৰাজ্যিক সমিতিখনত নতুনকৈ এজন উপ সভাপতি, ৮ জন সাংগঠনিক সম্পাদক আৰু ১৩ জন যুটীয়া সাংগঠনিক সম্পাদক অন্তৰ্ভুক্ত কৰা হৈছে। ২০২৪ চনৰ সাধাৰণ নিৰ্বাচনত শোণিতপুৰ লোকসভা সমষ্টিত আপৰ প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰা দলৰ অন্যতম কৰ্মকৰ্তা ঋষিৰাজ কৌণ্ডিন্যক উপ সভাপতি হিচাপে দায়িত্ব অৰ্পণ কৰা হৈছে। ৰাজ্যিক উপ সভাপতিৰ পদত ইতিপূৰ্বে থকা মামুন ইমদাদুল হক চৌধুৰী, সৌমিক সেনগুপ্ত, অনুৰূপা ডেকাৰজাৰ লগতে ঋষিৰাজ কৌণ্ডিন্যৰ নাম অন্তৰ্ভুক্ত কৰা হৈছে। দলীয় সংগঠনৰ ভেটি শক্তিশালী কৰাৰ উদ্দেশ্যে সাংগঠনিক সম্পাদক হিচাপে আখতাৰুল ইছলাম হাজৰিকা, দিলীপ হাজৰিকা, বল্লভ পাত্ৰ, জয়ন্ত শইকীয়া, দিব্যজ্যোতি শৰ্মা, ভৈৰৱ গগৈ, মহাবীৰ বাস্কে আৰু ফুডিং তেৰাঙক নিযুক্তি দিয়া হৈছে। আনহাতে, ৰাজ্যিক কমিটীৰ সম্প্ৰসাৰণ ঘটাই যুটীয়া সাংগঠনিক সম্পাদক পদত নিযুক্তি দিয়া হৈছে যুগান্ত বৰা, নুৰুল হাছান, অনন্ত গগৈ, ডাঃ দেৱব্ৰত গগৈ, আমিৰ হুছেইন, ডঃ ইৰ্ৰত আলি, বিপ্লৱ দাস, কৃষ্ণ ৰবিদাস, ৰামা পৰিহাৰ, আব্দুল মজিদ, ছাইদুৰ ৰহমান, নেংবই হেংমা আৰু মহিউদ্দিন ছিদ্দিকীক। আপৰ উত্তৰ পূৰ্বাঞ্চলৰ তত্বাৱধায়ক ৰাজেশ শৰ্মা আৰু ৰাজ্যিক সভাপতি মনোজ ধানোৱাৰ স্বাক্ষৰিত নিৰ্দেশনা মৰ্মে এনেদৰে সম্প্ৰসাৰণ কৰা হৈছে ৰাজ্যিক কাৰ্যনিৰ্বাহক।

# ডিব্ৰুগড়ত "আন্তঃৰাষ্ট্ৰীয় দিব্যাংগ দিৱস" উদযাপন



ৰঙিলী বাৰ্তাসেৱা- ডিব্ৰুগড় জিলা প্ৰশাসন, সমাজ কল্যাণ বিভাগ ডিব্ৰুগড়, জিলা আইন সেৱা প্ৰাধিকৰণৰ সহযোগত তথা প্ৰেৰণা প্ৰতিবন্ধী এন জি ওৰ সৌজন্যত "আন্তঃৰাষ্ট্ৰীয় দিব্যাংগ দিৱস" গ্ৰামোন্নয়ন অভিকৰণৰ সভাগৃহত উদযাপন কৰা হয়। "আন্তঃৰাষ্ট্ৰীয় দিব্যাংগ দিৱস"ৰ কাৰ্য্যসূচীত জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ উপস্থিতিত দুগৰাকী বিশেষভাৱে সক্ষম ব্যক্তিক একোখনকৈ ট্ৰাইচাইকেল আৰু এগৰাকী বিশেষভাৱে সক্ষম ব্যক্তিক হুইলচেয়াৰ প্ৰদান কৰা হয়। অনুষ্ঠানত অংশগ্ৰহণ কৰি জিলা আয়ুক্ত বিক্ৰম কৈৰীয়ে বিশেষভাৱে সক্ষম শিশু তথা ব্যক্তিসকলক সমাজৰ একোজন মানৱ সম্পদ বুলি উল্লেখ কৰি কয় যে, এইসকল বিশেষভাবে সক্ষম ব্যক্তি তথা শিশুৰ বাবে এশ শতাংশ সা-সুবিধা সুনিশ্চিত কৰিবলৈ হ'লে সকলোৱে সন্মিলিত প্ৰচেষ্টা হাতত ল'ব লাগিব। জিলা আয়ুক্তগৰাকীয়ে বিশেষভাবে সক্ষম ব্যক্তিসকলে এই অনুষ্ঠানত অৱগত কৰা বিভিন্ন অসুবিধাসমূহৰ সমাধানৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হব বুলিও উল্লেখ কৰে। আনহাতে, বিশেষভাবে সক্ষম ব্যক্তি তথা শিশুসকলৰ কল্যাণৰ বাবে অহৰ্নিশে প্ৰচেষ্টা আগবঢ়াই যোৱাৰ বাবে প্ৰেৰণা প্ৰতিবন্ধী এন জি ও কো জিলা আয়ুক্ত বিক্ৰম কৈৰীয়ে ধন্যবাদ জ্ঞাপন কৰে। "আন্তঃৰাষ্ট্ৰীয় দিব্যাংগ দিৱস"ৰ কাৰ্য্যসূচীত নিৰ্বাচনী বিষয়া প্ৰাঞ্জীল গগৈ, সহকাৰী আয়ুক্ত তথা ভাৰপ্ৰাপ্ত সমাজকল্যান বিষয়া সুপ্ৰিয়া বাউলাৰী, নাবাৰ্ডৰ ডিব্ৰুগড় জিলা উন্নয়ন প্ৰবন্ধক প্ৰণয় বৰদলৈ, জিলা আইন সেৱা প্ৰাধিকৰণৰ সচিব অভিজিৎ শইকীয়া, অসম চিকিৎসা মহাবিদ্যালয়ৰ অস্থি বিভাগৰ চিকিৎসক ডাঃ বিপুল বৰঠাকুৰ, ডিব্ৰুগড় লায়ন্স ক্লাবৰ ডাঃ পি কে চৌধুৰী, শংকৰদেৱ চিকিৎসালয়ৰ হৃদয়ানন্দ মহন্ত, প্ৰেৰণা প্ৰতিবন্ধী এন জি ওৰ সভাপতি বিৰু কুমাৰ সিং, সচিব মহেশ কৈৰী প্ৰমুখ্যে কেইবাগৰাকী বিশেষভেবে সক্ষম শিশু আৰু ব্যক্তি উপস্থিত থাকে।

# স্বচ্ছতাৰ বাবে মাজুলীৰ পাঁচ ৰাসমঞ্চক পুৰস্কৃত জিলা প্ৰশাসনৰ



ৰঙিলী বাৰ্তাসেৱা- মাজুলী জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আয়োজিত এখন সভাত গত ৰাসোৎসৱত পৰিস্কাৰ- পৰিচ্ছন্নতাৰ বাবে জিলা প্ৰশাসনে ঘোষণা কৰা আৰ্থিক পুৰস্কাৰ আৰু জিলাখনৰ তিনিগৰাকী উদ্যোগী কৃষকক ৰাজহুৱা সম্বৰ্ধনা জনায়। এই উপলক্ষে অতিৰিক্ত আয়ুক্ত ভৰত কোঁৱৰে আঁত ধৰা সভাত জিলা আয়ুক্তই মাজুলীত মিলেট খেতিৰে উজ্বলি উঠা উদ্যোগী কৃষক সুমন্ত বৰুৱা, ভোট জলকীয়াৰ কৃষক অনিল চেকনিধৰা (দহ পৃষ্ঠাত চাওক)

# বাংলাদেশত হিন্দুৰ ওপৰত চলা নিৰ্যাতনৰ বিৰুদ্ধে কংগ্ৰেছৰ প্ৰতিবাদ

ৰঙিলী বাৰ্তাসেৱা- কেন্দ্ৰীয় চৰকাৰৰ ভুল বৈদেশিক নীতিৰ বাবেই বহিঃৰাষ্ট্ৰসমূহত থকা ভাৰতীয় মূলৰ লগতে হিন্দু সম্প্ৰদায়ৰ লোক আজি নিৰাপত্তাহীনতাত ভুগিছে। বিজেপি চৰকাৰৰ ভুল বৈদেশিক নীতিক সমালোচনা কৰি কামৰূপ মহানগৰ জিলা আয়ুক্তৰ কাৰ্যালয় ঘেৰাও কৰে অসম প্ৰদেশ কংগ্ৰেছে। শ শ কংগ্ৰেছ নেতা-কৰ্মীয়ে দিনৰ ১১ বজাত হেঙেৰাবাৰীত থকা কামৰূপ মহানগৰ আয়ুক্তৰ কাৰ্যালয়ৰ সমুখত উপস্থিত হৈ বিদেশ মন্ত্ৰী এছ জয়শংকৰৰ পুত্তলিকা দাহ কৰে আৰু বিজেপি চৰকাৰ হায় হায় ধ্বনিৰে আকাশ-বতাহ কঁপাই তোলে। কংগ্ৰেছ নেতা-কৰ্মীসকলে বাংলাদেশত হিন্দু ভাই-ভনীক নিৰাপত্তা দিয়ক, বাংলাদেশত সংখ্যালঘুৰ ওপৰত উৎপীড়ণ নচলিব, চুবুৰীয়া ৰাষ্ট্ৰৰ হিন্দুসকলক সুৰক্ষিত কৰক আদি ধ্বনি দি জিলা আয়ুক্তৰ কাৰ্যালয়ৰ দিশে আগুৱাই যদিও আৰক্ষীয়ে বাধা প্ৰদান কৰে। কংগ্ৰেছ নেত্ৰী মীৰা বৰঠাকুৰ, বিপুল গগৈ, ৰামান্না বৰুৱা, ৰাজেশ যোশী, গোপাল শৰ্মা, বালিকা পেগু, ৰূপা দেউৰী, বেদব্ৰত বৰা প্ৰমুখ্যে নেতাসকলৰ নেতৃত্বত যোৱা কংগ্ৰেছ কৰ্মীসকলে বহু সময় ধৰি বিজেপিৰ সাম্প্ৰদায়িক ৰাজনীতিৰ বিৰুদ্ধে ধ্বনি দিয়ে। এই কাৰ্যসূচীত প্ৰদেশ কংগ্ৰেছৰ উপ-সভাপতি গুণকান্ত গগৈ, সাধাৰণ সম্পাদক উদয়ভানু দাস, সম্পাদক উমেশ ডেকা, সেৱা দলৰ সভাপতি দীপ বায়ন প্ৰমুখ্যে লোকসকলে অংশগ্ৰহণ কৰে।

# তৃষ্ণা

জ্যোতি খাটনিয়াৰ

মানুহ স্থিৰ হৈ থাকিব নোৱাৰাৰ পৰাই সকলো সমস্যাৰ আৰম্ভণি। দাৰ্শনিক ব্লেইজ পাস্কেলে তাহানিয়ে কৈছিল যে মানুহৰ যদি কোঠালী এটাৰ ভিতৰত অকশৰীয়াকৈ বহি থকাৰ ধৈৰ্যখিনি মাত্ৰ থাকিলহেঁতেন, তেনেহ'লে মানুহৰ কোনো সমস্যাৰেই উদ্ভৱ নহ'লহেঁতেন। মানুহৰ কাম কাজেই মানুহক দুখদায়ক অৱস্থালৈ লৈ যায়। গৌতম বুদ্ধই সংসাৰত দুঃখ আছে বুলি বহু হাজাৰ বছৰ আগতেই ঘোষণা কৰি গৈছে। এই দুঃখৰ কাৰণ ৰূপে তেওঁ তৃষ্ণা বা তনহাক চিহ্নিত কৰিছে। তৃষ্ণাৰ পৰাই সকলো কথাৰ উদ্ভৱ। ইংৰাজীত তৃষ্ণাক desire বুলি অনুবাদ কৰা হৈছে। কিন্তু তৃষ্ণাৰ অৰ্থ অতি ব্যাপক। গৌতম বুদ্ধৰ চাৰিটা মহান সত্যই মানুহৰ সমগ্ৰ জীৱনৰ পৰিক্ৰমা সামৰি লৈছে। এই সত্য কেইটা হ'ল : এক, সংসাৰত দুঃখ আছে। দুই, দুঃখৰ কাৰণ আছে। তিনি, দুঃখৰ ৰোধ কৰিব পাৰি। চাৰি, দুঃখ ৰোধ কৰাৰ উপায় আছে।

আধুনিক আলোচকসকলে গৌতম বুদ্ধৰ এই চিন্তাক চিকিৎসা বিজ্ঞানৰ পদ্ধতিৰ লগত তুলনা কৰিছে। বৌদ্ধ চিন্তাই মানুহৰ অসুস্থতা (illness) ক চিহ্নিত কৰিছে। এই অসুস্থতাৰ উৎস বিচাৰি পাইছে। অসুস্থতাক ঠিক ঠাক কৰিছে। আৰু সদৌ শেষত এই অসুস্থতা নিৰাময়ৰ বাটটো আমাক দেখুৱাই দিছে। পালি ভাষাত ৰচিত ধম্মচক্কপ্পৱত্তন সূত্ত (Dhammacakkappavattana Sutta) ত কোৱা হৈছে যে জন্মই দুঃখ। অৱক্ষয় হোৱাটোৰেই দুঃখ। বেমাৰেই দুখ। মৃত্যুয়েই দুঃখ। যিকোনো ভাল নলগা কথাৰ সৈতে সংলগ্ন হৈ পৰিব লগীয়াটোৰেই দুঃখ । আনন্দৰ পৰা আঁতৰিব লগীয়াটোৰেই দুঃখ। বিচৰা বস্তু নোপোৱাটোৰেই দুঃখ। আসক্তিৰ পাঁচোটা কথাকেই দুঃখ বুলি চিহ্নিত কৰা হৈছে। সংস্কৃতৰ 'স্কন্ধ' ধাৰণাটোৰ সৈতে দুঃখৰ ধাৰণাটো সাঙোৰ খাই গৈছে। বৌদ্ধ চিন্তাৰ এই পাঁচটা স্কন্ধ হল ৰূপ, বেদনা, সংজ্ঞা, সংস্কাৰ আৰু বিজ্ঞান। বৌদ্ধ চিন্তাত দুঃখৰ ধাৰণাটোৱে সেই সকলোবোৰ কথা সাঙুৰি লয় যিবোৰ কথাৰ সৈতে আপোনাৰ, মোৰ দৰে সাধাৰণ মানুহ মুখামুখি হ'বলগীয়া হয়।

বৌদ্ধ চিন্তাত পৃথিৱী বা সংসাৰ কিছুমান চৰ্তৰ দ্বাৰা নিয়ন্ত্ৰিত। আৰু আমি মানুহখিনিও এই চৰ্ত সাপেক্ষে বৰ্তি থাকো। বুদ্ধদেৱে উপলব্ধি কৰিছিল যে এজন মানুহে জীৱনত লাভ কৰা সকলো অভিজ্ঞতাৰ মাজতে দুঃখ নিহিত থাকে। আমাৰ অসম্পূৰ্ণতাৰ আধাৰেই হ'ল দুঃখ। ইংৰাজীত দুঃখক suffering ৰূপে অনুবাদ কৰা হৈছে। কিন্তু যাতনা আৰু দুঃখৰ সম্পৰ্ক বৌদ্ধ চিন্তাত অলপ বেলেগ ধৰণৰ। এজন বৌদ্ধ চিন্তাৰ অনুগামীয়ে কেতিয়াও নকয় যে আমি হাঁহিব নোৱাৰো বা আমি সুখী হ'ব নোৱাৰো। কিন্তু আমাৰ হাঁহি আৰু আনন্দ সদায়ে দুঃখৰ অধীনতেই থাকে। কাৰণ এই দুয়োটা কথাই অস্থায়ী। আমি কেতিয়াবা হঁহা বা কেতিয়াবা আনন্দ পোৱা- এই দুয়োটাৰ কথাৰ সৈতে জড়িত হৈ থকা আমিবোৰ নিজেই মৃত্যুৰ অধীন। আমাৰ অস্তিত্ব নিজেই স্থায়ী নহয়। গতিকে আমি দুঃখৰ দ্বাৰা নিয়ন্ত্ৰিত।

বৌদ্ধ চিন্তাই তিনিটা দুঃখৰ কথা উল্লেখ কৰিছে। ইয়াৰে এটা পোনপটীয়াকৈ বেদনাৰ সৈতে সম্পৰ্কিত। যেনে, গজালৰ ওপৰেৰে শুদা ভৰিৰে খোজ কঢ়া অনুভৱ। দ্বিতীয়টো দুঃখ পৰিবৰ্তনৰ সৈতে সম্পৰ্কিত। যিহেতু কোনো বস্তুৱেই স্থায়ী নহয়, সেইবাবে এই ধৰণৰ দুঃখৰ উৎপত্তি হয়। ইয়াৰ সৈতে পৰিবৰ্তনৰ ধাৰণাটো জড়িত হৈ আছে। ইয়াক সংস্কৃতৰ 'অনিত্য ' শব্দৰ যোগেদি বুজোৱা হয়। এইফালৰ পৰা চাবলৈ গ'লে আমি সুখী হৈ থকা কথাটো যেন দুঃখৰেই এটা ৰূপ। যেন দুঃখৰ এক পূৰ্বাভাস। কাৰণ যিকোনো সময়তে এই সুখ নাইকীয়া হ'ব পাৰে। তৃতীয় দুঃখটো হ'ল আমাৰ পৰিবেশৰ সৈতে। জীৱনত বহু দুঃখ আছে। যেনে বাৰ্ধক্য, মৃত্যু, নিৰাশা, শোক, ৰোগ ইত্যাদি। এই সকলোবোৰেই কাৰণ আকৌ জন্ম। সংসাৰত জন্ম নোলোৱা হ'লে এই দুঃখবোৰৰ আমি সন্মুখীন হ'ব নেলাগিলহেঁতেন। জাগতিক বিষয়ৰ প্ৰতি তৃষ্ণাই জন্ম গ্ৰহণৰ মূল কাৰণ। কিবা এটা হোৱাৰ অভিলাষ বা পৃথিৱীত উপজিবৰ বাবে মানুহৰ মনত এটা অন্ধ বাসনা থাকে। আৰু সেইবাবেই মানুহৰ সংসাৰত জন্ম হয়। অজ্ঞতা বা অবিদ্যাৰ ফলত পুনৰজন্মৰ প্ৰবৃত্তি মানুহৰ মনলৈ আহে। জগতৰ দুঃখ বা অনিত্যতাক উপলব্ধি কৰিব পাৰিলে মানুহ কৰ্ম বন্ধনৰ পৰা মুক্ত হ'ব পাৰে। সংসাৰ চক্ৰত পৰি মানুহে নানান যাতনা ভোগে। এই যাতনাৰ উৎস ৰূপে মানুহৰ বাসনা বা উপভোগৰ ইচ্ছাক জড়িত কৰি দিয়া হৈছে। তৃষ্ণাই মানুহক অহৰহ পৰিচালিত কৰে। বৌদ্ধ চিন্তাত তৃষ্ণা সম্পূৰ্ণৰূপে মনৰ কথা। এইখিনিতে বৌদ্ধ চিন্তাৰ অনুগামী আৰু অন্যান্য শ্ৰমণ সকলৰ মাজত পাৰ্থক্য আহি পৰে। বৌদ্ধই শৰীৰক কষ্ট দি জৰাজীৰ্ণ শাৰীৰিক অৱস্থাৰ মাজেৰে জীৱই তৃষ্ণাক নাইকীয়া কৰিব পাৰিব বুলি ভবা নাই। তেওঁ কৈছে যে তৃষ্ণাৰ পৰা মুক্তিৰ পথ মানসিক পৰিবৰ্তন আৰু মনোযোগ (mindfulness) ৰ পৰাহে আহিব পাৰে। নিজৰ মনৰ ভিতৰৰ জগতখনলৈ একেৰাহে চাই থাকিব পাৰিলে এক বিশেষ পৰ্যায়ত উপনীত হ'ব পৰা যায়। আমি আমাৰ ভাললগা বস্তু এটা হেৰুৱাইছো। সেই বস্তুটো বা তেনেধৰণৰ বস্তু এটা পাবলৈ আমি অহৰহ চেষ্টা কৰি থাকো (craving)। এইটো আমাৰ জীৱনৰ ডাঙৰ দুৰ্বলতা। আমি যদি জীৱন আৰু জগতৰ সৈতে সম্পৰ্কিত বস্তুবোৰৰ প্ৰকৃত স্বৰূপ বুজি উঠো, তেনেহ'লে তৃষ্ণাৰ গ্ৰাসৰ পৰা আমি মুক্ত হ'ব পাৰিম। আমি যদি বস্তুবোৰৰ অস্থায়ী ৰূপটোক জানিবলৈ সক্ষম হওঁ, তেনেহলে তৃষ্ণাই আমাক কাবু কৰিব নোৱাৰে। বৌদ্ধ চিন্তাত আমাৰ পাঁচটা ইন্দ্ৰিয়ৰ বাহিৰেও মনক এটা ইন্দ্ৰিয় বুলি ভবা হৈছে। মন ষষ্ঠ ইন্দ্ৰিয়। আমাৰ স্মৃতি আৰু মনত ঘটি থকা কল্পনাসমূহ কেতবোৰ মানসিক বস্তু। সেইবাবে ইন্দ্ৰিয়ই যি অভিজ্ঞতা আমাক দিয়ে, তাক লৈ আমি বিচাৰ কৰিবই লাগিব। বৌদ্ধ চিন্তাৰ এজন প্ৰসিদ্ধ বিদ্বান এৰিখ ফ্ৰওৱালনাৰে(Erich Frauwallner) এইখিনিতে এটা গুৰুত্বপূৰ্ণ দিশলৈ আমাৰ মনোযোগ আকৰ্ষণ কৰিছে। দিশটো হ'ল বৌদ্ধ চিন্তাই তৃষ্ণাক সংসাৰৰ কাৰণ ৰূপে ডাঙি ধৰাৰ মাধ্যমেৰে তৃষ্ণাৰ আঁৰত থকা কাৰকবোৰক চিহ্নিত কৰাৰ প্ৰয়াস কৰিছে। তৃষ্ণাৰ আঁৰত যিটো কথা জড়িত হৈ আছে, সেই কথাটোৱে আচলতে সংসাৰৰ যাতনাৰ মূল কথা। সেইটো হ'ল 'অবিদ্যা'। পালি ভাষাত ইয়াক 'অভিজ্জ' বুলি কোৱা হৈছে। সাধাৰণ ভাষাত ই হ'ল আমাৰ অজ্ঞতা বা বিভিন্ন বিষয়কলৈ আমাৰ ভুল ধাৰণাসমূহ। ইয়াৰ পৰাই অহং ভাৱৰ উৎপত্তি।

অৱশ্যে আমি এই কথা ক'ব নোৱাৰো যে সংসাৰৰ আঁৰত অজ্ঞতাই প্ৰথমটো কাৰণ। বৌদ্ধ চিন্তাত এনে কথা নাই যে এসময়ত একো নাছিল বা পূৰ্বতে একো নাছিল । আৰু হঠাতে অজ্ঞতা আহি পৰিল। তাৰ পৰাই পৃথিৱী আৰু সংসাৰৰ আৰম্ভণি হল। বৰঞ্চ বৌদ্ধ চিন্তাত অজ্ঞতাও এটা ধাৰণাহে। জন্ম - মৃত্যুৰ চক্ৰত সংসাৰৰ আৰম্ভণি হয়। এই চক্ৰত অজ্ঞজনহে আবদ্ধ হৈ পৰে। সেইবাবে এই অজ্ঞতাক অতিক্ৰম কৰিব পাৰিলে নিৰ্বাণৰ পথ মুকলি হয়। বৌদ্ধ চিন্তাত এই চাৰিটা মহৎ সত্যকে ধৰ্মৰ আধাৰ বুলি ধৰা হৈছে। জীৱই এই সত্যক গ্ৰহণ কৰিব পাৰিলেই অজ্ঞতাৰ পৰা মুক্ত হ'ব। বৌদ্ধ চিন্তাৰ অজ্ঞতা আৰু উপনিষদৰ অজ্ঞতাৰ মাজত পাৰ্থক্য আছে। উপনিষদত অজ্ঞতাক অতিক্ৰম কৰিব পাৰিলে আত্মাৰ প্ৰকৃত স্বৰূপ বুজা যায় নাইবা সকলো জাগতিক বস্তুৰ আঁৰত ক্ৰিয়াশীল আত্মাৰ স্বৰূপ জিজ্ঞাসু জনৰ চকুত উদ্ভাসিত হৈ উঠে। বৌদ্ধ চিন্তাই আত্মাৰ ধাৰণাটোক উপনিষদৰ আত্মাৰ লেখীয়াকৈ গ্ৰহণ কৰা নাই। বৌদ্ধ চিন্তাই ক'ব খুজিছে যে আত্মাৰ সৈতে জড়িত যিবিলাক কথা আছে সেইবিলাকৰ সৈতে তৃষ্ণাৰ ধাৰণাটো জড়িত হৈ থাকে। ইয়াৰ লগতেই 'মই' আৰু 'মোৰ' ধাৰণাটো সাঙোৰ খাই পৰে। এই গোটেইকেইটাই নতুন নতুন আগ্ৰহ আৰু সম্পৰ্কৰ বিষয়লৈ আমাক লৈ যায়। বৌদ্ধ চিন্তাই অন্ততঃ তিনিটা উপাদানৰ সমষ্টিক লৈ



আমাৰ আত্মাক চাব খুজিছে। এইকেইটা হল আমাৰ দেহটো, আমাৰ চিত্ত বা মনটো আৰু আমাৰ আকাৰহীন চৈতন্য। এই সমষ্টিৰ ওপৰতেই মানুহ হিচাপে আমাৰ অস্তিত্ব নিৰ্ভৰশীল। আত্মাই এই সমষ্টিকহে বুজায়। এই সমষ্টি যিহেতু 'অনিত্য' গতিকে আত্মাৰ এটা সুকীয়া ধাৰণা বৌদ্ধ চিন্তাত প্ৰয়োজন নাই।

তেনেহ'লে প্ৰশ্ন হ'ব পাৰে বৌদ্ধ চিন্তা অনুসৰণ কৰা মানুহ এজনে জীৱনত কি কৰিব? উত্তৰটো সহজ, সৰল আৰু পোনপটীয়া। তেওঁ আনৰ দুঃখ অনুভৱ কৰিব। সংসাৰৰ যন্ত্ৰণাৰ মূল কাৰণ তৃষ্ণাৰ সৈতে জড়িত অজ্ঞতাক আঁতৰ কৰাৰ চেষ্টা কৰিব। তেওঁ সৃষ্টিশীল শিল্পী (creative artist) ৰূপে আনক পথ দেখুৱাব; নিৰাসক্ত জীৱনৰ প্ৰতি আগ্ৰহী কৰি তুলিব। বৌদ্ধ চিন্তাত জীৱনক উদ্ভত ( absurd) বুলি ধৰা হোৱা নাই। অস্তিত্ববাদী চিন্তা (existential-ism) ত মানুহৰ অৰ্থৰ অহৰহ কৰা সন্ধান আৰু জগতৰ এই সন্ধানৰ প্ৰতি উদাসীনতাৰ মাজতেই জীৱন পৰিক্ৰমাক দেখুওৱা হৈছে। ই এক উদ্ভত পৰিস্থিতিৰ সৃষ্টি কৰিছে। জাঁ পল ছাৰ্ত্ৰেয়ে মানুহে নিজেই অৰ্থ আৰোপ কৰাৰ প্ৰয়োজনীয়তাৰ কথা কৈছে। আলবেয়াৰ কেমুৱে আনিছে বিদ্ৰোহ (rebellion) ৰ ধাৰণা। এই বিদ্ৰোহ হিংসাত্মক প্ৰবৃত্তিৰ সৈতে জড়িত কথা নহয়। ই মানুহৰ মহত্বক সাব্যস্ত কৰাৰ এক উপায়। এয়া নাথাকিলে অৰ্থাৎ মানুহে অনিত্য জগতৰ সন্মুখত নিশ্চল, জড় হৈ ৰৈ গ'লে সংসাৰৰ জীৱন আৰু সৌন্দৰ্য্য নাইকীয়া হৈ যাব। গৌতম বুদ্ধ, আলবেয়াৰ কেমু, জাঁ পল ছাৰ্ত্ৰে- কোনেও জীৱনৰ মহত্বক অস্বীকাৰ কৰা নাই। তেওঁলোকৰ বাটবোৰ সেইবাবে আনন্দ, শক্তি আৰু উজ্জ্বলতাৰে ভৰপূৰ। দুঃখৰ অনুভৱেও আমাক মানৱীয় কৰি তোলে। মনত পৰে কবি নীলমণি ফুকনে বিভিন্ন প্ৰসংগত কোৱা এটা উক্তিলৈঃ "তেওঁ কি কবি, যি আনৰ দুঃখ অনুভৱ কৰিব নোৱাৰে?"

**( বুৰঞ্জীবিদ ড° ৰাজেন শইকীয়ালৈ বিশেষ কৃতজ্ঞতাৰে; অন্য এক লেখা প্ৰসংগত তেখেতে আঙুলিয়াই দিয়া বৌদ্ধ চিন্তাৰ 'তৃষ্ণা ' কথাটোৰ বাবে।)**

# A Memorable Visit to Sri Sri Auniati Satra of North Guwahati: A Journey into Assamese Spirituality and Culture

**Nikunja Sharma**



Sri Sri Auniati Satra, a prominent Vaishnavite monastery, stands as a beacon of Assam's rich cultural and spiritual heritage. Originally established in 1653 AD in Majuli by Ahom King Jayadhwaja Singha, the Satra takes its name from the abundance of Auni Paan (a betel creeper plant) on the elevated (Ati) land of Majuli. Known as one of the most prestigious Satras, it has greatly influenced the propagation of Neo-Vaishnavism, a movement founded by Srimanta Sankardeva, a 15th-century saint and social reformer.

The North Guwahati branch of Auniati Satra, established in 1915 by Sri Sri Kamal Dev Goswami, continues this legacy. Spread over 60 bighas of land acquired from the Aswaklanta Temple, it has flourished as a cultural and spiritual hub under the leadership of successive Satradhikars.

The architecture of the Satra is both graceful and functional, with a, enclosed complex and four gateways (Karapat). At its center lies the Namghar (prayer hall), a rectangular structure aligned east-west with its 14 poles. Adjacent to the Namghar is the Manikut (Sanctum Sanctorum), housing the Asana, a wooden structure adorned with four carved lions. The primary deity worshiped here is Govinda, an idol of Lord Krishna originally brought from Jagannath Kshetra, Puri. Surrounding the Namghar are rows of Hatis (monastic quarters) where celibate and non-celibate monks (Bhokots) reside.

The North Guwahati branch, rebuilt in 1959 by Bhagawat Bhaskar Sri Sri Hem Chandra Deva Goswami, reflects the timeless elegance of Assamese architecture and craftsmanship.

Auniati Satra plays a pivotal role in preserving and promoting Assamese culture through its rich repertoire of Satriya music, dance, and theater. The Satriya dance, a UNESCO-recognized classical dance form, originated in the Satras as a form of devotion to Lord Krishna.

The key performances and practices at the Satra include Satriya Dance Forms such as Natua Nritya, Krishna Gopi Nritya, Apsara Nritya, and Sutradhar Nritya, which depict mythological themes. Mati Akhara, a set of basic hand-and-body postures, is also an essential aspect of the Satra's dance tradition. The Satriya Songs performed at the Satra, including Gayana Geet, Raas-Geet, Bairagi Nam, and Guru Bandana, glorify Vaishnavite ideals. Theatrical Shows (Bhaona), inspired by Bhagavad Gita, Ramayana, and Mahabharata, are performed during festivals like Raas Leela and Doul Utsav.

The Satra also hosts Nam-Prasanga, daily congregational prayers involving devotional songs and hymns, which are integral to its spiritual life. Special celebrations such as Janmashtami (Lord Krishna's Birth), Holi, Raas Leela, and Bohag Bihu are celebrated with grandeur, attracting devotees from far and wide.

Auniati Satra is committed to uplifting local communities through educational initiatives, philanthropy, and moral and spiritual empowerment. It also plays an active role in preserving Assamese culture and literature. The Satra's educational programs, such as Sharana (initiation), Bhajan, and Malamantradan, foster moral values and provide guidance for societal well-being.

The Satra's influence spans across 12 branches in Assam, including the Kaliapani branch, established in 2003 by Sri Sri Dr. Pitambar Dev Goswami. Each branch serves as a hub for social cohesion and cultural enlightenment, in line with Srimanta Sankardeva's vision of an egalitarian society.

The role of Satras in the propagation of Neo-Vaishnavism cannot be overstated. These centers emphasize monotheism, equality, and devotion to Lord Krishna. Today, Assam is home to 715 Satras, each playing a crucial role in religious, social, and cultural activities.

Majuli, located amidst the Brahmaputra River, is the largest riverine island in the world and the heart of Vaishnavite culture. Home to 22 Satras, Majuli offers a unique blend of natural beauty, cultural diversity, and spiritual significance. The island is known for its eco-tourism, ancient manuscripts, traditional crafts, and diverse tribal communities like the Mising, Deori, and Kachari. The region's cultural significance has earned it the recognition of a UNESCO World Heritage Site.

However, Majuli faces serious threats from flood erosion, which has reduced its area significantly since 1950. Efforts are underway to promote sustainable tourism, implement flood control measures, and digitally archive cultural artifacts and manuscripts.

During my visit to Sri Sri Auniati Satra with my family, I had the privilege of meeting Sri Sri Dr. Pitambar Dev Goswami, the current Sattradhikar of Auniati Satra of Majuli. His insights into Neo-Vaishnavism and Assamese traditions were deeply enlightening. I was fortunate to learn from him about the Satra's rich cultural heritage and the enduring relevance of Srimanta Sankardeva's teachings. The serene environment and profound spiritual atmosphere made this visit a truly unforgettable experience. I am grateful for the opportunity to explore this sacred institution, which has left a lasting impact on my understanding of Assamese culture and spirituality.



অসম চৰকাৰ
খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ

## খাদ্য সুৰক্ষা সুনিশ্চিতকৰণেৰে চৰকাৰৰ অভিনৱ জনমুখী প্ৰয়াস

JANASANYOG- 3283/24/8-Dec-24

ডিচেম্বৰ- ২০২৪ত

# অন্ন সেৱা দিন

**১-১০ ডিচেম্বৰ ২০২৪**



এই বিশেষ দিনকেইটাত

ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত

প্ৰধানমন্ত্ৰী গৰীব কল্যাণ অন্ন যোজনাৰ হিতাধিকাৰীৰ বাবে

৩৫ কিঃগ্ৰাঃ চাউল অন্ত্যোদয় অন্ন যোজনা(AAY)ৰ প্ৰতিমাহে, প্ৰতি পৰিয়াললৈ

৫ কিঃগ্ৰাঃ চাউল অগ্ৰাধিকাৰপ্ৰাপ্ত পৰিয়াল(PHH)ৰ প্ৰতিমাহে, প্ৰতিগৰাকী হিতাধিকাৰীলৈ

প্ৰদান কৰা হ'ব

মুঠ পৰিয়াল **৬৬,৯৯,৯৬৭টা**

মুঠ হিতাধিকাৰী **২,২৮,৯৪,০৩৩গৰাকী**

কোনো হিতাধিকাৰীয়ে সঠিক পৰিমাণৰ চাউল নাপালে

১৮০০-৩৪৫-৩৬১১ | ১৯৬৭ টোল ফ্ৰী নম্বৰত পুৱা ৯:০০ বজাৰ পৰা সন্ধিয়া ৬:০০ বজালৈ যোগাযোগ কৰিব পাৰিব

## গ্ৰাহকলৈ আমাৰ আহ্বান

- এই বিশেষ দিনকেইটাত সুলভ মূল্যৰ দোকানৰ পৰা বিনামূলীয়া চাউল সংগ্ৰহ কৰক
- লাভ কৰা চাউলৰ বিপৰীতে e-Pos মেচিন সৃষ্ট ৰচিদ সংগ্ৰহ কৰক

## সুলভ মূল্যৰ দোকানীৰ কৰণীয়

- অন্ন সেৱা দিন সম্পৰ্কে ব্যাপক প্ৰচাৰেৰে হিতাধিকাৰীসকলক বাধ্যতামূলকভাৱে অৱগত কৰোৱা
- অন্ন সেৱা দিনৰ প্ৰতিটো দিনত দিনজোৰাকৈ দোকান খোলা ৰখা
- 'অন্ন সেৱা দিন'ত হিতাধিকাৰীসকলৰ প্ৰাপ্য চাউলৰ সম্পূৰ্ণ বিতৰণ সুনিশ্চিত কৰা
- হিতাধিকাৰীয়ে লাভ কৰা চাউলৰ বিপৰীতে e-Pos মেচিনৰ ৰচিদ (Receipt) প্ৰদান কৰা

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত Connect with us @diprassam dipr.assam.gov.in

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি হোৱাটছএপ কৰক

## অণুগল্প

## শেষ আশ্ৰয়

**স্মিতা শৰ্মা,হেঙেৰাবাৰী**

কিমান যে হেঁপাহ আছিল ছোৱালীজনীৰ বিয়াখনক লৈ। যদি তাই সেই দিনা বিয়ালৈ নিমন্ত্ৰণ দিবলৈ নগ'লহেতেন; তেতিয়া হয়তো সেই পাষণ্ড কেইটাৰ হাতত তাইৰ সতীত্ব ধ্বংস নহ'ল হেতেন আৰু আজি নঙলামুখৰ এই কদমজোপা তাইৰ শেষ আশ্ৰয় নহ'ল হেতেন।

## কপাল

**আয়নাল হক, ধুবুৰী**

প্ৰখৰ ৰ'দত সৰিয়হ তুলি-মাৰি পোৱা সৰিয়হ কেই কুইন্টল দোকানত দি পোৱা টকা কেইহাজাৰ গণি থাকোঁতে ৰজতে মনতে ভাবিলে-আজি ল'ৰাৰ মাকলৈ চপ্পল এযোৰ লৈ যাব লাগিব।

"ঐ নিলে অ' নিলে নিলে"- চিলনী চুৰে থাপ মাৰি নিয়া টকাখিনিৰ পিছত দৌৰিবলৈ তেতিয়া আৰু ৰজতৰ শক্তি নাছিল দিনটোৰ পৰিশ্ৰমৰ অন্তত। ৰজত বহি পৰিল মূৰে-কপালে হাত থৈ! যেন বিধিয়ে দিলেও বিধাতাই নিদিয়ে...।

## হুমুনিয়াহ

**আৰিফ হুছেইন, কামৰূপ**

হেৰা! বলা, মানুহজনে মানুহজনীক মাতিলে আৰু ক'লে - পাকঘৰৰ দুৱাৰ বন্ধৰ শব্দ পাইছো। ভাত কেইটা বাঢ়ি খাই আহো। ল'ৰা - বোৱাৰীৰ ৰুমৰ লাইট অফ কৰিছে চাগে! ইয়াত বোন্দাপৰ দি থাকিলে কি হ'ব।

## ৰহস্য ভেদ

**শুক্লা বৰ্মন, গুৱাহাটী**

স্বামীৰ অনুপস্থিতিত বোৱাৰী গৰাকী গৰ্ভৱতী হোৱাৰ খবৰ পোৱাৰ পিছত পৰিয়ালৰ মানুহে তেওঁক ঘৰৰ পৰা খেদি পঠিয়াইছিল। বোৱাৰী গৰাকীয়ে হোষ্টেলত পঢ়ি থকা ননদ গৰাকীক লগত লৈ কেইমাহমান আত্মগোপন কৰিছিল। পিছত ননদ গৰাকী ঘৰলৈ ঘূৰি আহিছিল।

কিছু মাহৰ পিছত স্বামী কামৰ পৰা ঘৰলৈ অহাত পত্নীয়ে কোলাত কেঁচুৱা লৈ ভিক্ষা খুজি থকা অৱস্থাত লগ পোৱাত আচল ৰহস্যৰ উমান পাইছিল।

## শোষণ

**ৰীতা দেৱী, কাহিলীপাৰা**

অনন্ত কলিতাই আজি নিজৰ ভুলৰ বাবে কাৰাগাৰৰ ভিতৰত অনুতপ্ত হৈ হুকহুকাই কান্দিছে । সি মনতে ভাবিছে এইয়া মোৰ মিছাকৈ প্ৰলোভন দি শোষণ কৰাৰ পৰিণতি এইয়াই মোৰ বাবে প্ৰাপ্য। এইফালে সেই সময়তে থানালৈ আহি এজনী বিধৱা মহিলাই চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে সি মোক বেয়াকৈ শোষণ কৰিলে।

## পাৰ্থক্য

**পৰিস্মিতা বৰা হাজৰিকা,মাজুলী**

বহু কষ্টৰে যোগাৰ কৰি অনা ঠিকনাতোৰ মতেই ঘৰতোৰ সন্মুখত গাড়ীখন ৰখাই নামি গ'ল ডঃ মলয়া চৌধুৰী ।

দেউতা, তুমি আজিৰ পৰা বৃদ্ধাশ্ৰমত নহয়, মোৰ লগত থাকিবা বুলি ৰমেন মাষ্টৰক জীয়েকে নিবলৈ অহাত আচৰিত হৈ একেথৰে চাই থাকিল জীয়েকৰ মুখলৈ।

আনৰ ঘৰলৈ উলিয়াই দিব লাগিব, পঢ়ুৱাই কি লাভ হ'ব ? অফিচাৰণি হলেও লোকৰ ঘৰৰ বাহি চোতাল সাৰিবই লাগিব । ল'ৰাটোকে ভালদৰে পঢ়ুৱাম, সি আমাৰ বংশৰ গৌৰৱ।

ঠিকেই আজিহে ৰমেন মাষ্টৰে চিনি পালে তেওঁৰ বংশৰ গৌৰৱ পো আৰু জীৰ মাজৰ পাৰ্থক্য ।

## হাইকু

**গীতালি গোস্বামী, মানপাৰা**

১) ভদীয়া বানে নাঙঠ পৃথিৱীখনক কলে "শৰৎ আহি আছে।"

২) আশী বছৰীয়া ককাই পাঁচ বছৰীয়া নাতিটোক বলে, এই ফালেকে আমাৰ শৈশৱৰ নৈখন বৈ গৈছিল।

৩) দ্বিপান্বীতাৰ ৰাতি.. এঘৰত জ্বলে বিজুলী বাতি, আন ঘৰত জ্বলে চকুলোঁৰ চাকি।

৪) পদূলি মূৰত ৰৈ থকা আইতাজনীয়ে ক'লে, মোৰ সোণমইনা আহিব।

# মহোহো উৎসৱ

আঘোন মাহৰ পূৰ্ণিমা তিথিত পালন কৰা হয় "মহোহো" উৎসৱ। ই নামনি অসমৰ অন্যতম কৃষ্টি-সংস্কৃতিৰ উৎসৱ। ইয়াক ঠাইভেদে মহ খেদা উৎসৱ বুলিও কোৱা হয়। অসমীয়া ভাষাৰ "মহ"আৰু বড়ো ভাষাৰ "হো" শব্দৰ মিশ্ৰিত ৰূপৰ পৰাই উৎপত্তি হোৱা শব্দ "মহোহো"। সেইদিনা সন্ধিয়া সময়ত ডেকা - সমনীয়া সকলোৰে মিলি হাতত টাঙোন লৈ ঘৰে ঘৰে গৈ এনেদৰে মহোহো গীত পৰিৱেশন কৰা দেখা যায়....



**বিশ্বজিৎ বৈশ্য, বংশৰ,গুৱালকুছি**

অ' হো হো মহোহো
মহ খেদবা টাকান লৌ
মহে বোলে মল্লু দে
টেপল পুৰা খালু দে
টেপলত নহ'ল নুন
চাউল লাগে দুণ দুণ.....

এনেদৰে গীত গাই গৃহস্থক আশীৰ্বাদ জনাই কুশল কামনা কৰি উৎসৱটি পালন কৰা হয়। এই মহোহো উৎসৱত সন্ধিয়া ঘৰে ঘৰে বহুতো দল বান্ধি লৈ যোৱা দেখা যায়। তাৰে দলপতি জনে গীতটো গাব আৰু বাকী সকলে তাৰ সমান্তৰালভাৱে পৰিৱেশন কৰে। ঘৰে ঘৰে মহ খেদা হোৱাৰ পিছত যিখিনি চাউল বা টকা পোৱা যায় সেইখিনিৰে সকলোৱে মিলি ভোজভাত খাই আনন্দ উপভোগ কৰে। লোক বিশ্বাস অনুসৰি এই মহ খেদা উৎসৱৰ পৰাই মহ বোৰ নাইকিয়া হৈ যায় বুলি কোৱা হয়।

# কৰ্ম অনুযায়ী ফল নিৰ্ধাৰিত হৈ থাকে

**শৈলেন কুমাৰ,মিৰ্জা**

কৰ্মই মানুহৰ ধৰ্ম, সকলো মানুহে সৰুৰে সকলো কৰ্মতে কৰ্মৰত, কৰ্মৰ সৰুৰৰ নাই বুলি জ্যেষ্ঠজনৰ পৰা শুনি আহিছোঁ। ভাল কৰ্মৰ ফল ভাল আৰু বেয়া কৰ্মৰ ফল বেয়া বুলি আমি জানো কি কৰ্ম ভাল আৰু কি কৰ্ম বেয়া সেয়া জানিবলৈ আমি এটা কাহিনীৰ মাধ্যমেৰে জানিবলৈ প্ৰয়াস কৰোঁ আহক। হেৰম্ব এজন দুখীয়া মাছমৰীয়া। দিনৰ দিনটো সি নদীত মাছ মাৰে আৰু সন্ধিয়া বজাৰত বিক্ৰী কৰে, তেনেকৈয়ে সি পৰিয়ালটোক পোহপাল দি আহিছে। বাকীবোৰ মাছমৰীয়াৰ তুলনাত হেৰম্বৰ মাছমৰাৰ কৌশল পৃথক যাববাবে সি মাছ বেছিকৈ পায়। লগৰ মাছমৰীয়াবোৰে মুখত নকয় যদিও পেটেপেটে হেৰম্বক হিংসা আৰু ঈৰ্ষা কৰে। কিছুদিনৰ পৰা জালত মাছ পৰা নাই, মৰুভূমিত পানীৰ অকাল হোৱাৰ দৰে নদীটো এইটো সময়ত মাছৰ অকাল পৰিছে। তাৰমাজতো হেৰম্বই নিজস্ব কৌশলী পদ্ধতিৰে মাছ ধৰি যেনেতেনে নিজৰ হাজিৰা ওলাই আছে। এই দৃশ্য লগৰ মাছমৰীয়া সকলে প্ৰত্যক্ষ কৰি জ্বলি পকি মৰিছে। হিংসা আৰু ঈৰ্ষাৰ বশৱৰ্তী হৈ লগৰ মাছমৰীয়া সকলে গৈ মহলদাৰৰ কাণ ভৰালে। কৰ পৰিশোধ নকৰাকৈ হেৰম্বই নদীত অহৰহ মাছমাৰি আছে । লগৰ মাছমৰীয়াৰ কথাত মহলদাৰ খঙত অগ্নিশৰ্মা হৈ নদীৰ ঘাটলৈ ধাপলি মেলিলে। মহলদাৰ এজন দয়াহীন অতি অত্যাচাৰী ব্যক্তি। ঘাটত উপস্থিত হৈ মহলদাৰে হেৰম্বক মাছমাৰি থকা দেখা পালে, সেইদিনাখন হেৰম্বই দহৰ পৰা পোন্ধৰ কিলো ওজনৰ এটা আৰি মাছ চিকাৰ কৰিবলৈ সক্ষম হৈছিল। প্ৰথমে মহলদাৰে হেৰম্বক গুৰুলাগুৰুলকৈ মাৰপিট কৰিলে তাৰপাছত হেৰম্বৰ জাল ফালি ছিঙি নদীত পেলাই দিলে আৰু হেৰম্বই পোৱা মাছটো তাৰ পৰা কাঢ়ি মহলদাৰ ঘৰমুৱা হ'ল। ঘৰ আহি থকা পথত মাছটোৱে মহলদাৰৰ আঙুলিত কামোৰিলে। মহলদাৰে দৌৰাদৌৰিকৈ চিকিৎসকৰ ওচৰ পালে। চিকিৎসকে মহলদাৰৰ আঙুলিত বেণ্ডেজ লগাই দিয়ে। তাৰে কিছুদিন পিছত যেতিয়া মহলদাৰে বেণ্ডেজ খুলিলে তেতিয়া আঙুলিটোৰ পৰা আৰু অধিক তেজ ওলাবলৈ ল'লে। তেতিয়া মহলদাৰ ডক্তৰৰ ওচৰত গ'লে, ডক্তৰে মহলদাৰৰ আঙুলি কাটিব লাগিব বুলি পৰামৰ্শ দিলে কাৰণ যদি আজি মহলদাৰে আঙুলি নাকাটে তেতিয়া হ'লে হাতখন কাটিব লগীয়া হ'ব পাৰে। তেতিয়া চিকিৎসকৰ কথামতে মহলদাৰে নিজৰ আঙুলি কাটি পেলালে আৰু বেণ্ডেজ লগাই দিয়া হ'ল। বহুদিন যোৱাৰ পাছতো মহলদাৰৰ ঘাঁ শুকোৱা নাই, মহলদাৰ আকৌ ডক্টৰৰ ওচৰ পালে । ডক্টৰে বেণ্ডেজ খুলি চালে তেতিয়াওঁ ঘাঁ শুকোৱা নাই, ঘাঁ শুকুৱাই নযোৱা পৰ্যন্ত ডক্টৰে অলপ অলপকৈ মহলদাৰৰ গোটেই হাতখন কাটি পেলালে । যিখন হাতেৰে মহলদাৰে মাছমৰীয়া হেৰম্বক প্ৰহাৰ কৰিছিল সেইখন হাত মহলদাৰৰ শৰীৰৰ পৰা বিচ্ছিন্ন হ'ল, মনৰ বেজাৰত মহলদাৰে অনুতপ্ত হৈ মাছমৰীয়া হেৰম্বৰ কাষচাপিল, মহলদাৰে হেৰম্বক প্ৰশ্ন কৰিলে "এয়া তুমি মোৰ লগত কি কৰিলা?" তেতিয়া হেৰম্বই উত্তৰ দিলে মই একো কৰা নাই মহলদাৰ বাবু মাত্ৰ ভগৱানক এটাই কথা কৈছোঁ "হে ভগৱান মহলদাৰে মোক তাৰ শক্তি দেখুৱালে গতিকে ভগৱান তুমিও যেন তোমাৰ শক্তি মহলদাৰক দেখুওৱা তাকে প্ৰাৰ্থনা কৰিলোঁ।" উক্ত কাহিনীটোৰ পৰা আমি কি বুজিব পাৰোঁ, যদি আমি অসহায়, দুৰ্বল, নিৰীহ জনক আমি ৰবৰৰ অত্যাচাৰ, নিৰ্যাতন কৰোঁ তেতিয়া হ'লে তাৰে ফল ভুগিবলৈ ও আমি প্ৰস্তুত থাকিব লাগিব ।

# ব্যতিক্ৰমী শিশু আৰু সমাজ

বন্দিতা শৰ্মা কন্দলি,
দেৰগাঁও



শিশু সকল হৈছে দেশৰ ভৱিষ্যত। শিশুৰ শাৰীৰিক আৰু মানসিক বিকাশে এজন শিশুক সুনাগৰিক কৰি গঢ়ি তোলাত সহায় কৰে। এইখিনিতে প্ৰশ্ন হয় আমাৰ সমাজৰ সকলো শিশুৰ শাৰীৰিক আৰু মানসিক বিকাশ একেদৰে একে সময়তে হয় নে? নিশ্চয় নহয়! কোনো কোনো ক্ষেত্ৰত কিছুমান কাৰকে শিশুৰ শাৰীৰিক আৰু মানসিক বিকাশক বাধা দিয়ে। অৰ্থাৎ শাৰীৰিক আৰু মানসিক বিকাশৰ ক্ষেত্ৰত এজন মানুহৰ প্ৰকৃতি প্ৰদত্ত সামৰ্থৰ হীন দেখিক ‘বিশেষভাৱে সক্ষম’ শ্ৰেণীত ধৰা হৈছে। কিয়নো তেওঁলোকে কোনো এটা বিশেষ দিশত পাৰদৰ্শিতাৰ দেখুৱাবলৈ সক্ষম হয়। বৰ্তমান বিশেষভাৱে সক্ষম লোকসকলক বুজাবলৈ দিব্যাংগ শব্দটো ব্যৱহাৰ কৰা হৈছে।

প্ৰতি বছৰে দিব্যাংগ লোকসকলৰ অধিকাৰ আৰু কল্যাণৰ বিষয়ে সজাগতা বৃদ্ধিৰ বাবে ৩ ডিচেম্বৰত আন্তঃজাৰ্তিক দিব্যাংগ ব্যক্তিৰ দিৱস (IDPD)পালন কৰা হয়। ১৯৮২ চনৰ পৰা ৰাষ্ট্ৰসংঘৰ দ্বাৰা পালন কৰা এই দিৱসৰ মূল উদ্দেশ্য হৈছে ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক জীৱনৰ প্ৰতিটো দিশতে দিব্যাংগ ব্যক্তিসকলক মৰ্যদা প্ৰদান কৰা, অধিকাৰ আৰু কল্যাণৰ হকে কাম কৰা। দিৱসটোৰ লগত সংগতি ৰাখি প্ৰতি বছৰে একোটা বিশেষ বিষয় ওপৰত গুৰুত্ব প্ৰদান কৰি বছৰটোৰ বাবে কাৰ্যপ্ৰণালী গ্ৰহণ কৰে।২০২৪ বৰ্ষৰ আন্তঃৰাষ্ট্ৰীয় দিব্যাংগ দিৱসৰ বিষয়বস্তু হৈছে ‘Amplifying the leadership of persons with disabilities for an inclusive and sustainable future.’ বহনক্ষম ভৱিষ্যত আৰু অন্তৰ্ভুক্তিৰ বাবে দিব্যাংগ ব্যক্তিসকলক বহলভাৱে নেতৃত্ব প্ৰদান কৰা বিষয়টোক গুৰুত্ব দিয়া হৈছে।

সমগ্ৰ বিশ্বতে প্ৰায় ১ বিলিয়নতকৈয়ো অধিক লোকে যেইকোনো ধৰণৰ শাৰীৰিক আৰু মানসিক সক্ষমতাৰ সৈতে অভিযোজন কৰিব লগাত পৰিছে। তেওঁলোকৰ সমস্যা সমূহ যাতে সদায় সমস্যা হৈয়ে নৰয় তাৰ বাবে চৰকাৰে বিভিন্ন আঁচনি গ্ৰহণ কৰা হৈছে। একবিংশ শতিকাত অন্যভাৱে সক্ষম লোকসকলৰ বাবে বিশেষ সুবিধা থকাতো বাঞ্ছনীয় কৰা হৈছে। চৰকাৰে সকলো ক্ষেত্ৰতে ৩% আসন সংৰক্ষণৰ ব্যৱস্থা কৰিছে। ২০০৬ চনত অনুষ্ঠিত হোৱা United Nations Conventions on the Right Person with Disability (N-CRPD) শীৰ্ষক আলোচনাত প্ৰতিবন্ধকতাৰ ধাৰণা বহুখিনি উন্নত দৃষ্টিভংগীৰে গ্ৰহণ কৰিছে। UN-CRPD এ এই সকল লোকৰ বাবে বাধাহীন পৰিবেশ Barrier Free Environment অতীৱ প্ৰয়োজনীয় বুলি বিবেচনা কৰিছে। লগতে তেওঁলোকৰ স্বাস্থ্য, শিক্ষা, সংস্থাপন, সামাজিক স্বীকৃতি আদি নানান ধৰণৰ ব্যৱস্থাৰ উন্নতিকৰণৰ বাবে বিশেষ ভূমিকা গ্ৰহণ কৰিছে।

২০১১ চনৰ লোকপিয়ল অনুযায়ী ভাৰতত প্ৰায় ২ কোটি ৬৮ লাখ দিব্যাংগ লোক আছে। ভাৰতৰ সামাজিক ন্যায় আৰু অধিকাৰ মন্ত্ৰালয়ে এই বিষয়ত বিভিন্ন আঁচনি ঘোষণা কৰিছে। এই সকলৰ বিশেষ পাৰদৰ্শিতাৰ বাবে প্ৰতি বছৰে বিভিন্ন শিতানত ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰে। ভাৰত চৰকাৰে শতকৰা চল্লিশ ভাগতকৈ অধিক অক্ষমতা সম্পন্ন দিব্যাংগ লোকৰ বাবে চৰকাৰী চাকৰি আৰু চৰকাৰী সাহায্য প্ৰাপ্ত শিক্ষানুষ্ঠানত তিনি শতাংশ সংৰক্ষণৰ ব্যৱস্থা কৰিছে। ভাৰতৰ ৰে'লৰেৰ তৰফৰ পৰা শাৰীৰিক আৰু মানসিক দুই ধৰণৰ বাধাগ্ৰস্থ সকলৰ বাবে ৰে'ল ভ্ৰমণত সংৰক্ষণ ব্যৱস্থা কৰিছে। প্ৰতিখন ৰে'লতে এনে ব্যক্তিৰ বাবে নিম্ন শয়ন শ্ৰেণীত দুখনকৈ আসন সংৰক্ষণৰ ব্যৱস্থা কৰাৰ লগতে টিকটত ৰেহাইৰ ব্যৱস্থা কৰিছে।

দিব্যাংগ সকলৰ অধিকাংশৰ লগতে জড়িত হৈ আছে দৰিদ্ৰতা। উপযুক্ত খাদ্যপ্ৰাণৰ অভাৱ এই সকল লোকৰ উমৈহতীয়া সমস্যা। চৰকাৰে এনে ছাত্ৰ ছাত্ৰীক জলপানি দিয়া ৰ ব্যৱস্থা কৰিছে। এই সকলোখিনিয়েই অনুপ্ৰেৰণা মূলক পদক্ষেপ।

চৰকাৰী সা-সুবিধাৰ থকাৰ পিছতো এনে শিশু সকলৰ কোনো কোনোৱে সমাজ, বিদ্যালয়, লগৰ সমনীয়া আদিৰ দ্বাৰা অৱহেলিত হোৱা দেখা যায়। কিন্তু এনে শিশু সকল দুৰ্ভগীয়া নেকি? নে তেওঁলোকৰ অভিভাৱক সকল? আমাৰ দৃষ্টিত সেইসকল অভিভাৱক সৌভাগ্যৱান। কিয়নো তেওঁলোকে আন এখন জগতৰ শিশুৰ লগত পৰিচিত। তেতিয়া হ'লে এনে সন্তানক অভিভাৱক সকলে কেনেদৰে আগুৱাই নিব? প্ৰথমে ক'বলৈ গ'লে অভিভাৱক সকলৰ ধৈৰ্য লাগিব। আশাবাদী হ'ব লাগিব। সন্তানটোৰ সমস্যা সমুহৰ লগত একাত্ম হৈ মানি ল'ব লাগিব। আন শিশুৰ সৈতে তুলনা কৰিব নালাগিব। বন্ধ কোঠাত আবদ্ধ নকৰি মুকলি মনেৰে থাকিবলৈ সুবিধা প্ৰদান কৰিব লাগিব। সম্ভৱ হ'লে সামাজিক অনুষ্ঠানত জড়িত কৰাব লাগে। যিহেতু সেই সকল শিশুৰ বুদ্ধিমত্তাৰ বিসংগতি থাকিব পাৰে বা থাকে সেয়ে শিক্ষাৰ ক্ষেত্ৰত বিশেষ প্ৰয়োজনীয় শিক্ষা বা বিশেষ কৌশল প্ৰয়োগ কৰিব লগাত পৰে। শিশুটিক সদায় উৎসাহিত কৰি ৰাখিবলৈ চেষ্টা কৰিব লাগে। বৰ্তমান এনে শিশুক বিশেষভাৱে সক্ষম শ্ৰেণীত অন্তৰ্ভুক্ত কৰিছে। গতিকে এই সকল অক্ষম নহয়। একোটা বিশেষ বিষয়ত পাৰদৰ্শিতা দেখুওৱা পৰা সামৰ্থ্য থাকে। সেয়ে অভিভাৱকৰ প্ৰধান কৰ্তব্য হৈছে সন্তানৰ সক্ষমতা টো বিচাৰি উলিওৱা। প্ৰয়োজন সাপেক্ষে বৰ্তমান জনপ্ৰিয় হৈ পৰা DMIT অৰ্থাৎ Dermatoglyphics Multiple Intelligent Test কৰাই সন্তানৰ সক্ষমতা টো বিচাৰি উলিয়াব পাৰি। মুঠতে যিকোনো প্ৰকাৰে এনে সন্তানক নিজৰ ভৰি থিয় দিব পৰা কৰিবলৈ চেষ্টা কৰাৰ ক্ৰুটি কৰিব নালাগে।

এনে শিশু সকল মৰম আকলুৱা হয়। তেওঁলোকে নিজেও আনক মৰম কৰে আৰু সেইদৰে আনৰ পৰাও মৰম বিচাৰে। সেয়ে এনে শিশুক খং নকৰি মৰমেৰে বুজাব লাগে। এনে শিশুৰ ৰোগ প্ৰতিৰোধ ক্ষমতা কম। সেয়ে তেওঁলোকৰ স্বাস্থ্যৰ প্ৰতি সজাগ আৰু সচেতন হোৱা দৰকাৰ।

এনে শিশুৰ প্ৰতি সমাজখন কেনেদৰে দায়বদ্ধ হ'ব? সমাজে তেওঁলোকক অৱহেলা কৰিব নালাগিব। তেওঁলোকৰ চাৰিত্ৰিক বৈশিষ্টক লৈ উপলুঙা, ঠাট্টা মস্কৰা কৰিব নালাগিব । পৰাপক্ষত সমাজৰ তেনে নিন্দুক ব্যক্তিৰ পৰা অভিভাৱকে সন্তানক আঁতৰাই ৰাখিব লাগে। দিব্যাংগ সন্তানকো আন সকলৰ লগত একে বিদ্যালয়ত পঢ়াব লাগে। লগৰ আন আন বন্ধু বান্ধৱীৰ পৰা এনে শিশুৱে বহু কথা আয়ত্ব কৰিব পাৰে। সদৌ শেষত এনে শিশু যাতে কাৰো পুতৌপাত্ৰ নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি সহমৰ্মিতাৰে হাতে হাত ধৰি আগুৱাই যোৱাত সহায়ৰ হাত আগবঢ়াব লাগে। সমাজত সন্মান সহকাৰে জীয়াই থকাৰ অধিকাৰ সকলোৰে আছে। আমি সেই কথাটো গুৰুত্ব দিয়া আমাৰ কৰ্তব্য।

# আন্ধাৰৰ মাজত চলা এটা যন্ত্ৰ



জ্যোতিষ্মান শইকীয়া, ৰহা, নগাঁও

মই সাৰে থাকোঁ
বহু গভীৰ নিশা লৈ
যেতিয়া মনৰ মাজত এজাক বিষাদৰ
ডাৱৰে আমানিশা নমাই আনে
যেতিয়া আশ্ৰবেলিৰ নিৰকাৰ সূৰুযে উচুপি উঠে
তেতিয়াই মই সাৰে থাকোঁ
সাৰে থাকে মোৰ মন
আৰু মোৰ নিস্তব্ধ ভাৱনা
যেন তাৰ মাজতো লুকাই আছে এক বিষাদৰে ভৰা
বহু বেদনা
সাৰে থাকে সেই সময়বোৰ যিবোৰ সময়ক
মই বহুআগতেই পৰিহাৰ কৰিছিলোঁ
মোৰ আন্ধাৰৰ মাজৰ পৰা
নিস্তব্ধ হৈ পৰে মাথোঁ উকা পৃথিৱী আৰু
“হৃদয় নামৰ যন্ত্ৰ” কিতাপখন
যিখন কিতাপৰ পাত যিমানেই লুটিয়াব সিমানেই
আইনৰ টুকুৰাৰ দৰে ফাট মেলিব
আৰু এটা সময়ত....
আপুনিও হৈ পৰিব মোৰ দৰে এটা যন্ত্ৰৰে চলি থকা
পুতলা
মই সাৰে থাকোঁ কিয় জানে ?
উকা হৈ পৰা হিদয়ৰ শূন্যতাৰ দিশত যেতিয়া
চকুৰ পৰা চকুপানীৰ সলনি ৰক্তটোপাল পৰে
তেতিয়াই মই সাৰে থাকোঁ
অসংখ্য আন্ধাৰৰ মাজত ঘড়ীৰ কাটাটোৱেও
মোক নীৰৱতাৰ গান শুনাই
পোৱা নোপোৱাৰ আশাবোৰে হাতত হাত হৈ খামুচি ধৰি বা
খুজিও ধমকি ৰয়
আন্ধাৰৰ প্ৰস্বতাৰ আঁৰত মোক মতলীয়া কৰে
সোমায় পৰো সেই আন্ধাৰৰ মাজত
গলি গলি পৰিব ধৰা হৃদয়খনক
গভীৰ সেই আন্ধাৰৰ মাজত মই অনুভৱ কৰোঁ
যিবোৰ আন্ধাৰৰ মাজত থাকিবলৈ
আনে ভয় কৰে

# বৰাক উপত্যকা উন্নয়ন

হিমন্ত বিশ্ব শৰ্মাই এই সুকীয়া বিভাগ গঠনক বৰাকৰ বাবে সুশাসনৰ নতুন দিগন্ত বুলি আখ্যা দিছে। কেবিনেট বৈঠকৰ পিছতেই মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই সংবাদ মাধ্যমক কয় যে চৰকাৰী ব্যৱস্থাক নাগৰিকসকলৰ অধিক কাষলৈ অনা আৰু বৰাক উপত্যকাৰ ন্যায়সংগত উন্নয়নৰ প্ৰয়াসৰ বাবে কেবিনেটে বৰাক উপত্যকা উন্নয়ন বিভাগ গঠনত অনুমোদন জনাইছে। সেইদৰে স্বচ্ছ শক্তি উৎপাদন বৃদ্ধিৰ বাবেও এই কেবিনেটে সিদ্ধান্ত গ্ৰহণ কৰে। কৃষকসকলৰ উপাৰ্জন বৃদ্ধি কৰিবলৈ আৰু স্বচ্ছ বিকল্প ইন্ধনৰ দিশত গুৰুত্ব দি কেবিনেটে তিনি বছৰৰ বাবে তিনি শস্য আধাৰিত ইথানল প্ৰস্তুতকাৰী গোটক ইথানলৰ দুই টকা/লিটাৰ হাৰত উৎপাদন সংযোজিত উদগনিক অনুমোদন জনাইছে। একেদৰে উক্ত কেবিনেটে মৃত কাৰাবন্দীসকলৰ নিকটাত্মীয়লৈ বিত্তীয় সমৰ্থন আগবঢ়োৱাৰ প্ৰস্তাৱত অনুমোদন জনায়। অসমৰ কাৰাগাৰৰ কাৰাবন্দীসকলৰ অপ্ৰাকৃতিক মৃত্যুৰ বাবে মৃতকৰ নিকটাত্মীয়ক ক্ষতিপূৰণ পৰিশোধৰ নীতিত অনুমোদন জনাইছে। সেই অনুসৰি কেনে অপ্ৰাকৃতিক কাৰণত এককালীন ক্ষতিপূৰণ প্ৰদান কৰা হ'ব সেয়াও নিৰ্ধাৰণ কৰি দিছে কেবিনেটে। অপ্ৰাকৃতিক মৃত্যুৰ কাৰণসমূহ এনেদৰে নিৰ্ধাৰণ কৰা হৈছে- কয়দীসকলৰ মাজত কাজিয়াত মৃত্যু হ'লে দুই লাখ, কাৰাগাৰৰ কৰ্মচাৰীৰ দ্বাৰা অত্যাচাৰ-প্ৰহাৰত মৃত্যু ঘটিলে ৩ লাখ টকাৰ সাহাৰ্য দিয়া হ'ব নিকটাত্মীয়ক। আনহাতে কাৰাগাৰৰ কৰ্মচাৰীৰ দ্বাৰা কৰ্তব্যত অৱহেলাৰ ফলত কয়দীৰ মৃত্যু হ'লে ৪ লাখ টকাৰ ক্ষতিপূৰণ দিয়া হ'ব নিকটাত্মীয়ক। লগতে, চিকিৎসা বিষয়া- পেৰামেডিক'জৰ দ্বাৰা অৱহেলাত মৃত্যু হ'লে ৪ লাখ টকা আৰু আত্মহননৰ ঘটনা ঘটিলে ৩ লাখ টকা লাভ কৰিব নিকটাত্মীয়ই।

# আই চি চিৰ ব'ৰ্ড সঞ্চালক

গুৱাহাটী টাউন ক্লাবৰ সম্পাদক পদত থকা দেৱজিৎ শইকীয়া বি চি চি আইৰ যুটীয়া সম্পাদকৰ দায়িত্বতো আছে। ইফালে দেৱজিৎ শইকীয়াই বি চি চি আইক প্ৰতিনিধিত্ব কৰি আই চি চিৰ ব'ৰ্ড অব ডাইৰেক্টৰ হিচাপে নিযুক্তি লাভ কৰাত অসম ক্ৰিকেট সন্থাই তেওঁক অভিনন্দন জনাইছে। এটা বিবৃতিত অসম ক্ৰিকেট সন্থাই কয় যে শইকীয়াৰ এই কৃতিত্ব ক্ৰিকেটৰ প্ৰতি থকা তেওঁৰ সমৰ্পন আৰু বিশ্বত ক্ৰিকেটৰ প্ৰসাৰৰ কাৰণে তেওঁৰ অক্লান্ত প্ৰচেষ্টাৰ নিৰ্দশন। এ চি এৰ সভাপতি তৰংগ গগৈয়ে শইকীয়াৰ এই সাফল্যত গৌৰৱ প্ৰকাশ কৰি কয়, 'প্ৰাপ্য স্বীকৃতি এই মাইলৰ খুঁটিৰ বাবে মই দেৱজিত শইকীয়াক অভিনন্দন জনাইছোঁ। তেওঁৰ পাৰদৰ্শিতা আৰু দূৰদৰ্শিতাই নিঃসন্দেহে এই খেলবিধক কেৱল ভাৰততে নহয়, সমগ্ৰ বিশ্বতে নতুন উচ্চতালৈ আগুৱাই নিব। আমি নিশ্চিত যে তেওঁৰ নেতৃত্বই উদ্ভাৱনীমূলক পৰিৱৰ্তন আনিব আৰু আন্তৰ্জাতিক ক্ৰিকেটত ভাৰতৰ স্থিতি অধিক শক্তিশালী কৰিব।' অসমলৈ কঢ়িয়াই অনা অপৰিসীম সন্মানক স্বীকৃতি দি দেৱজিৎ শইকীয়াৰ এই কৃতিত্বত এচিএৰ এপেক্স কাউঞ্চিলৰ সকলো সদস্য উৎফুল্লিত হৈছে। নতুন ভূমিকাত তেওঁ বহু সফলতা লাভ কৰিব বুলি কামনা কৰাৰ লগতে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ভাতৃত্ববোধতো তেওঁৰ স্থায়ী প্ৰভাৱ পেলোৱাৰ ক্ষমতাৰ ওপৰত আস্থা প্ৰকাশ কৰে সদস্যসকলে। দেৱজিৎ শইকীয়াৰ এই নিযুক্তি ভাৰতীয় ক্ৰিকেটৰ বাবে এক উল্লেখযোগ্য মাইলৰ খুঁটি হিচাপে পৰিগণিত হোৱাৰ লগতে ক্ৰীড়াৰ প্ৰশাসনিক ক্ষেত্ৰত অসমৰ ক্ৰমবৰ্ধমান প্ৰভাৱকো প্ৰোজ্জ্বল কৰি তুলিছে। অসম ক্ৰিকেট সন্থাৰ মুখ্য কাৰ্যবাহী বিষয়া প্ৰীতম মহন্তই জাৰি কৰা এক বিজ্ঞপ্তিত এইকথা প্ৰকাশ। ইফালে, অসম অলিম্পিক সন্থায়ো দেৱজিৎ শইকীয়াক শুভেচ্ছা জনাইছে।

# এপিএছচিৰ চূড়ান্ত পৰীক্ষাৰ

মৃদুস্মিতা বয়ে ষষ্ঠ স্থান, বঙাইগাঁৱৰ মেৰী কলিতাই সপ্তম স্থান, শ্ৰীভূমিৰ দীক্ষা সৰকাৰে অষ্টম স্থান, লখিমপুৰৰ নীলম গাৰ্গে নৱম স্থান আৰু পশ্চিম কাৰ্বি আংলং জিলাৰ অংকিতা ছেত্ৰীয়ে দশম স্থান লাভ কৰিছে। বাছনিভুক্ত ২৩৫গৰাকী প্ৰাৰ্থীৰ ভিতৰত এচিএছত ৪৫ গৰাকী, এপিএছত ৩৫ গৰাকী, অসম একাউণ্টছ ছাৰ্ভিচত ১০৭ গৰাকী, পৰিদৰ্শন অ'ডিটৰৰ ১১গৰাকী, কৰ অধীক্ষকৰ এগৰাকী, আবকাৰী অধীক্ষকৰ এগৰাকী, অসম বিত্ত সেৱাৰ ১৩গৰাকী, খণ্ড উন্নয়ন বিষয়াৰ বাবে ৬গৰাকী, সমবায় সমিতিসমূহৰ সহকাৰী পঞ্জীয়কৰ বাবে ৪ গৰাকী, কৰ পৰিদৰ্শক ৪ গৰাকী, শ্ৰম পৰিদৰ্শক ৪ গৰাকী, সহকাৰী নিয়োগ বিষয়া এগৰাকী আৰু উপ-পঞ্জীয়ক পদত তিনিগৰাকীক নিযুক্তিৰ বাবে আয়োগে চৰকাৰক অনুমোদন প্ৰদান কৰিছে। ইফালে এপিএছত প্ৰথম স্থান লাভ কৰিছে পাৰ্থপ্ৰতিম শৰ্মাই। এপিএছত দ্বিতীয় আৰু তৃতীয় স্থানত আছে ক্ৰমে অন্বেশা দুৱৰা আৰু বিজয় আহমেদ। উল্লেখ্য যে প্ৰথমবাৰৰ বাবে এই পৰীক্ষাত মৰাণ আৰু মটক জনগোষ্ঠীৰ বাবে পদ সংৰক্ষণ কৰা হৈছিল।

# বিশিষ্ট অভিনেত্ৰী সীমা বিশ্বাসলৈ

কৰা হয়। সংবাদমেলত বোকাখাতৰ ছপা আৰু বৈদ্যুতিন কেউটা সাংবাদিক সংগঠনৰ গৰিষ্ঠ সংখ্যক সাংবাদিক, সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী সুৰ্বণ শইকীয়া বৰদলৈৰ লগতে কেন্দ্ৰীয় বিষয় ববীয়া মৃদুস্মিতা শৰ্মা,বোকাখাত সন্ধানী লেখিকা সমাৰোহ সমিতিৰ ক্ৰমে সভানেত্ৰী পুতলী খাউণ্ড, কাৰ্যকৰী সভানেত্ৰী কল্পনা চেতিয়া, সম্পাদিকাদ্বয় চন্দ্ৰপ্ৰভা শইকীয়া ডেকা আৰু শান্তি দত্ত শইকীয়াৰ লগতে উপদেষ্টা, বিষয় ববীয়া আৰু সদস্যা, বোকাখাত নাট্য মন্দিৰৰ সভাপতি দিলীপ শইকীয়া, সম্পাদক জিতু শৰ্মা ৰাজখোৱা, বিশিষ্ট সমাজকৰ্মী মহাবীৰ প্ৰসাদ আগৰৱালা, বিশিষ্ট সাহিত্যিক নিজৰা বৰঠাকুৰকে আদি কৰি বোকাখাত সন্ধানী লেখিকা সমাৰোহ সমিতিৰ গৰিষ্ঠ সংখ্যক সদস্যা-শুভাকাংক্ষী, বোকাখাত নাট্য মন্দিৰৰ বিষয় ববীয়া, সদস্য আৰু গণ্যমান্য ব্যক্তি উপস্থিত থাকে। ছত্তীছগড়ৰ ৰাজ্যপাল ৰমেন ডেকাই মুখ্য অতিথি আৰু অসম চৰকাৰৰ ক্ৰমে জ্যেষ্ঠ কেবিনেট মন্ত্ৰী অতুল বৰা, কেবিনেট মন্ত্ৰী কেশৱ মহন্ত, কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাচা, গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ সব্যসাচী মহন্তই বিশেষ সন্মানীয় অতিথি হিচাবে, আৰু অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি মৃণালিনী দেৱীৰ লগতে কেইবা গৰাকী বিশিষ্ট অতিথিয়ে অংশগ্ৰহণ কৰিব লগীয়া অনুষ্ঠানটি সকলোৰে উপস্থিতি আৰু সহযোগিতাৰে সফল কৰি তুলিবলৈ উদ্যোক্তাৰ তৰফৰ পৰা আহ্বান জনাইছে।

# সোণগুটি বুটলাৰ

পৰিভ্ৰমণ কৰে ২২০০০ কিঃমিঃ। ফেলকনক সাধাৰণতে দক্ষিণ-পূব ছাইবেৰিয়া আৰু চীনৰ উত্তৰ অঞ্চলত পোৱা যায়। ইহঁতৰ যাত্ৰাৰ সময় শীতকাল। শীতকালত আৰবিয়ান সাগৰৰ উপৰেদি আহি ভাৰতৰ অসমৰ ওমৰাংছুতে অলপ জিৰণি লয়।পুনৰ শেষ গন্তব্য স্থান দক্ষিণ আফ্ৰিকা লৈ যাত্ৰা কৰে। ২০১৮ চনত ফেলকনে ওমৰাংছুত সৰ্বাধিক ৩১ দিন আৰু ২০১৯ত ১৮ দিন আছিল। এমোৰ ফেলকনক সংৰক্ষণ কৰিবলৈ গ্ৰীণ অস্কাৰ বঁটা বিজয়ী ৰাই নুকলো ফম নামৰ নাগালেণ্ডৰ ব্যক্তিজনে যথেষ্ট কষ্ট কৰিছে। প্ৰতিবছৰৰ দৰেই এইবাৰো উমৰাংছুত ফেলকনৰ আগমনৰ লগে লগেই ফেলকন উৎসৱ অনুষ্ঠিত কৰা হ'ব।

# মন্ত্ৰী হিচাপে শপতগ্ৰহণ

কৰ্তন হোৱাটো স্বাভাবিক। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়- বাকী মন্ত্ৰীসকলৰ লগতে মুখ্যমন্ত্ৰীৰো দপ্তৰ কৰ্তন হ'ব। চাৰিজন নতুন মন্ত্ৰী অন্তৰ্ভুক্ত হ'লে স্বাভাৱিকতে পুৰণি মন্ত্ৰীসকলৰ পৰা দপ্তৰ কাটি আনি নতুনক প্ৰদান কৰিব লাগিব। উল্লেখ্য যে মুখ্যমন্ত্ৰীৰ লগতে আন কেইবাজনো মন্ত্ৰীৰ সৈতে কেইবাটাও দপ্তৰ সংযুক্ত হৈ আছে। লোকনিৰ্মাণ আৰু স্বাস্থ্য বিভাগৰ দৰে গুৰুত্বপূৰ্ণ দুটাকৈ বিভাগ মুখ্যমন্ত্ৰীৰ ওচৰতে আছে। সমান্তৰালভাৱে আন কেইবাজনো কেবিনেট মন্ত্ৰীয়ে দুটা-তিনিটাকৈ গুৰুত্বপূৰ্ণ দপ্তৰৰ দায়িত্ব চম্ভালি আছে। সেয়েহে মুখ্যমন্ত্ৰীয়ে এই বিষয়টো সন্দৰ্ভত কয় যে দপ্তৰসমূহে যাতে ন্যায় পায়, তাৰ বাবে মুখ্যমন্ত্ৰীৰ লগতে আন একাংশ মন্ত্ৰীৰো দপ্তৰ কৰ্তন হ'ব। মুখ্যমন্ত্ৰীয়ে লগতে অহা সোমবাৰলৈহে দপ্তৰ বিতৰণ কৰা হ'ব বুলিও স্পষ্ট কৰে।

# মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী

কিংবদন্তি শচীন তেণ্ডুলকাৰৰ পৰিয়ালৰ উপৰি মুম্বাইৰ বলীউডৰ মহাৰথী শ্বাহৰুখ খান, ছলমান খান, ৰণবীৰ কাপুৰকে ধৰি অনেক চেলিব্ৰিটীয়ে এই শপতগ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰে। শপতগ্ৰহণ অনুষ্ঠানত উপস্থিত থাকি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তৃতীয়বাৰৰ বাবে মুখ্যমন্ত্ৰীৰ শপত লোৱা দেৱেন্দ্ৰ ফাড়নাভিছক অভিনন্দন জ্ঞাপন কৰে। ইপিনে প্ৰাক্তন মুখ্যমন্ত্ৰী শিৱসেনাৰ নেতা একনাথ শিন্দেই উপ-মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰাৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অভিনন্দন জ্ঞাপন কৰে। আনপিনে প্ৰাক্তন উপ-মুখ্যমন্ত্ৰী এনচিপিৰ নেতা অজিত পাৱাৰকো শপতবাক্য পাঠ কৰোৱায় ৰাজ্যপালগৰাকীয়ে। শপত লোৱাৰ পাছত অজিত পাৱাৰক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অভিনন্দন জ্ঞাপন কৰে। উল্লেখ্য যে যোৱা ২৩ নৱেম্বৰত ঘোষিত মহাৰাষ্ট্ৰৰ ২৮৮জনীয়া বিধানসভাৰ ফলাফলত মহাযুটিয়ে ২৩০খন আসন লাভ কৰি দ্বিতীয়বাৰৰ বাবে শাসনৰ গাদীত অধিষ্ঠিত হয়। মহাযুটিৰ বিজেপিয়ে ১৩২খন আসন লাভ কৰাৰ বিপৰীতে একনাথ শিন্দেৰ শিৱসেনাই ৫৭ আৰু অজিত পাৱাৰৰ এনচিপিয়ে ৪১খন আসন লাভ কৰে।

# আকালি দলৰ মুৰব্বীক

জালালাবাদ গাঁৱৰ পৰা আৰক্ষীয়ে নাৰায়ণ সিঙক গ্ৰেপ্তাৰ কৰিছিল। সোধা-পোছাৰ অন্তত নাৰায়ণ সিঙৰ জিম্মাত থকা কেইবাটাও অস্ত্ৰ-শস্ত্ৰ উদ্ধাৰ কৰা হৈছিল। ২০১৮ চনত জামিনত মুক্তিলাভ কৰিছে নাৰায়ণ সিঙে। আন এক তথ্য মতে, ১৯৮৪ চনত নাৰায়ণ সিঙে পাকিস্তানলৈ গৈছিল আৰু পঞ্জাবলৈ অস্ত্ৰ-শস্ত্ৰ, বিস্ফোৰক সৰবৰাহ কৰাৰ কামত জড়িত আছিল। কি কাৰণত নাৰায়ণ সিঙে বাদলক হত্যা কৰিবলৈ বিচাৰিছিল সেই সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

# স্বচ্ছতাৰ বাবে মাজুলীৰ

আৰু ধীৰেন খনিকৰক আনুষ্ঠানিকভাৱে সম্বৰ্ধনা পত্ৰ আৰু চেলেঞ্জেৰে জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক আৰু বিধায়ক ভুবন গামে সম্বৰ্ধনা জনায়। সভাত গত ৰাস মহোৎসৱত জিলা প্ৰশাসনে ঘোষণা কৰা অনুসৰি পৰিস্কাৰ-পৰিচ্ছন্নতাৰে ক্ষেত্ৰত শ্ৰী শ্ৰী মাধৱদেৱ কৃষ্টি কেন্দ্ৰ আৰু কৰতিপাৰ মিলন নাট্য সংঘক যুটীয়া ভাৱে প্ৰথম, উজনি মাজুলী মিলন সংঘ নয়াবজাৰ আৰু মুদৈবিল মিলনজ্যোতি ৰংগমঞ্চক যুটীয়াভাৱে দ্বিতীয় আৰু মাজুলী মিলন সংঘ কমলাবাৰীক তৃতীয় স্থানৰ বঁটা জিলা আয়ুক্ত আৰু বিধায়কে প্ৰদান কৰে। জিলাৰ অতিৰিক্ত আয়ুক্ত ভৰত কোঁৱৰ, সৰোজ সোণোৱাল, তৰালী দাস, নৱনিযুক্ত আৰক্ষী অধীক্ষক নিত্যৰঞ্জন চুতীয়া, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া দিতিমণি পেগু, সহকাৰী আয়ুক্ত সংগীতা বৰুৱা উপস্থিত থকা সভাখনিত ৰেনুমালা দত্ত, জিতেন ডেকা, ডঃ আনন্দ হাজৰিকা, ডঃ ৰাজেন বৰা, ৰামসাগৰ নাথ, ডিম্বেশ্বৰ দত্ত, দিপু বৰা আদিয়ে স্বচ্ছতাৰ ক্ষেত্ৰত জিলা প্ৰশাসনে লোৱা উদ্যোগৰ শলাগ লয়।

# ENGLISH NEWS SECTION

## Governor launches Statewide 100-Day TB Elimination Campaign

Guwahati,RB News- Reaffirming Assam's commitment to eradicating TB by 2025, in alignment with Prime Minister's vision, Assam Governor Shri Lakshman Prasad Acharya, launched the 100-day intensified campaign TB elimination at the GMCH auditorium. It may be noted that the to tackle TB with an aim to completely eliminate it from the country, a special 100 day campaign has started today with a focus on the high burden TB districts. Along with better drugs and diagnosis, patient support amount has also been doubled under the programme. The 100-day campaign will target 17 high-priority districts in Assam and includes activities such as high burden area mapping, identification of vulnerable populations in tea gardens, slums, and mining areas, extensive screening campaigns (Nikshay Shibirs), and promoting Jan Bhaghidari (public participation) to mobilize resources and raise awareness. Speaking on the occasion, Governor Shri Acharya highlighted the socio




economic burden of TB, which predominantly affects the poorer sections of society. He stressed on the importance of community driven efforts in making the implementation of the National Tuberculosis Elimination Programme (NTEP) an unprecedented success in Assam. Stating the state's achievements with regard to TB treatment, the Governor said that the patients who have been treated successfully with TB germs will act as TB Champions during this campaign. He also highlighted Assam's innovative measures, including integration of TB services at Health and Wellness Centres under the Ayushman Bharat program, specialized initiatives like free TB treatment in tea garden areas and TB detection through boat clinics in char areas, early identification and management of TB among pregnant women.

## Governor administers oath of office to four new ministers



Guwahati,RB News- Assam Governor Shri Lakshman Prasad Acharya administered the oath of office and secrecy to four new ministers namely Prasanta Phukan, Kaushik Rai, Krishnendu Paul, and Rupesh Goala at a solemn function held in Srimanta Sankardeva International Auditorium here today in presence of Chief Minister Dr. Himanta Biswa Sarma. The oath taking ceremony was attended by the members of the State Council of Ministers, senior bureaucrats both civil and police administration, dignitaries from cross section of the society and others.

## Armed Forces Flag Day Celebrated at Raj Bhavan

Guwahati,RB News- In a move to pay tributes to the valour and sacrifices of Indian armed forces, Assam Governor Shri Lakshman Prasad Acharya today paid rich tributes to the members of Indian Armed Forces who safeguard the nation's honour at the cost of their lives at a function held at Raj Bhavan. It may be noted that Armed Forces Flag Day is




an annual event observed on 7th December to honour the soldiers, sailors and airmen of the country. Addressing the occasion, Governor Shri Acharya said, "I extend my heartfelt homage to the valiant martyrs of the Indian Armed Forces who made supreme sacrifices to the nation. My heartfelt congratulations to those brave soldiers who have displayed exemplary courage in the combat and counter-terrorism operations. I also salute the serving soldiers who vigilantly and devotedly protect our motherland under all circumstances." The Governor moreover reiterated that Armed Forces Flag Day should not merely a day to honor the sacrifices of soldiers but a solemn reminder of society's responsibility towards their welfare, including the rehabilitation of injured personnel and the family members of martyrs.

## Australia defeat India by 10 wickets in Adelaide



RB News- Australia defeated India by 10 wickets in the second Test of the series at the Adelaide Oval. The hosts completed the chase of 19 runs easily to level the series 1-1. The visiting team was bowled out for 175 runs in their second innings, with Pat Cummins taking 5 wickets. Earlier, Australia posted 337 in their first innings in reply to India's 180. Mitchell Starc picked up 6 wickets. India won the first Test by 295 runs at the Optus Stadium in Perth.

## Australia women defeat India women by 5 wickets in first ODI



RB News- The Indian women's cricket team lost the first ODI by five wickets against Australia, allowing them to take a 1-0 lead in a three-match series. Megan Schutt took a five-wicket haul as India were bowled for just 100 runs in 34.2 overs. Georgia Voll was Australia's top scorer as her 46-run knock helped the team chase the total in 16.2 overs.

# ২০২৪ বৰ্ষৰ সাহিত্যিক পেঞ্চন-বঁটা প্ৰদান

ৰঙিলী বাৰ্ত্তাসেৱা- বিশিষ্ট সাহিত্যিক হোমেন বৰগোহাঞিৰ ৯৩ সংখ্যক জন্ম দিৱস আৰু ২০২৪ বৰ্ষৰ সাহিত্যিক পেঞ্চন আৰু বঁটা প্ৰদান উপলক্ষে গুৱাহাটী বিশ্ববিদ্যালয়ত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকি বৰগোহাঞিৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। লগতে তেওঁ ২০২৪ বৰ্ষৰ বাবে ৩ গৰাকী বিশিষ্ট সাহিত্যিকক সাহিত্যিক পেঞ্চন আৰু ৰাজ্যৰ ২৮গৰাকী বিশিষ্ট সাহিত্যিকক ২০২৪ বৰ্ষৰ সাহিত্যিক বঁটা আগবঢ়ায়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে অনবদ্য ৰচনাশৈলী আৰু মৌলিক চিন্তাধাৰাৰে অসমীয়া সাহিত্য আৰু সংবাদ জগতত অম্লান চাপ এৰি যোৱা কথাশিল্পী হোমেন বৰগোহাঞিৰ প্ৰতি গভীৰ শ্ৰদ্ধা জনাই ২০২৪ বৰ্ষৰ সাহিত্যিক পেঞ্চন আৰু সাহিত্য বঁটা লাভ কৰা সাহিত্যিকসকলক অভিনন্দন জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনত ক্ৰীড়া, সাহিত্যিক আৰু শিল্পী পেঞ্চন প্ৰদান কৰা হয়। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ লগত সংগতি ৰাখি শিল্পী দিৱসৰ দিনা শিল্পী পেঞ্চন, সাহিত্যিক পেঞ্চন হোমেন বৰগোহাঞিৰ জন্ম দিৱসৰ দিনা আৰু ক্ৰীড়া পেঞ্চন অৰ্জুন ভোগেশ্বৰ বৰুৱাৰ জন্ম দিৱসৰ দিনা প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। অসমৰ বৌদ্ধিক ক্ষেত্ৰখন প্ৰচুৰভাৱে সমৃদ্ধ কৰা বিশিষ্ট সাহিত্যিক-সাংবাদিক হোমেন বৰগোহাঞিৰ প্ৰতিশ্ৰদ্ধা নিবেদনৰ বিনম্ৰ প্ৰয়াস হিচাপে ৰাজ্য চৰকাৰে তেওঁৰ ওপজা দিনটোত সাহিত্যিক পেঞ্চন আৰু বঁটা প্ৰদানৰ এই পদক্ষেপ গ্ৰহণ কৰিছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে গভীৰ সামাজিক চেতনাৰে সাৰ্বজনীন মানবীয় আশা-আকাংক্ষা, স্বপ্ন আৰু বিষাদ



শক্তিশালী শব্দশৈলীৰে বাংময় কৰি বৰগোহাঞিয়ে আধুনিক অসমৰ বৌদ্ধিক ক্ষেত্ৰখন সমৃদ্ধ কৰি গৈছে। বিংশ শতিকাৰ দ্বিতীয়াৰ্ধত সমাজ উত্তৰণৰ সংকল্পৰে যিসকল সাহিত্যিকে স্বকীয় ধ্যান-ধাৰণাৰে অসমীয়া সমাজখনলৈ প্ৰগতিশীল চিন্তা-চৰ্চাৰ সোঁত বোৱাই আনিছিল, তেওঁলোকৰ ভিতৰত হোমেন বৰগোহাঞি আছিল অন্যতম।

JANASANYOG- 3286/24/8-Dec-24




অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286